




গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১২ ডিচেম্বৰ ২০২৫/২৫ আঘোণ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩৪ ● Vol - 14, Issue - 34


## শ্বহীদ দিৱসৰ প্ৰাক্‌সন্ধ্যা শ্বহীদ স্মাৰক ক্ষেত্ৰত ‘শ্বহীদ প্ৰণাম জ্যোতি’ প্ৰজ্বলন মুখ্যমন্ত্ৰীৰ

### ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ৮৬০ গছি বন্তি প্ৰজ্বালন, কাৰ্যসূচীত আছু নেতৃত্ব, কেইবাগৰাকী মন্ত্ৰী, বিধায়কৰ অংশগ্ৰহণ


**দিছপুৰ, ৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্বহীদ দিৱসৰ প্ৰাক্‌সন্ধ্যা অসম আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত অসম চৰকাৰে নিৰ্মাণ কৰা শ্বহীদ স্মাৰক ক্ষেত্ৰত ‘শ্বহীদ প্ৰণাম জ্যোতি’ প্ৰজ্বালন কৰে। লগতে ৮৬০ গছি বন্তি প্ৰজ্বালনেৰে অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকললৈ শ্ৰদ্ধা নিৱেদন কৰা হয়। বন্তি প্ৰজ্বালন কাৰ্যসূচীত মন্ত্ৰীসকল ক্ৰমে অতুল বৰা, কেশৱ মহন্ত, বিমল বড়া, পীযুষ হাজৰীকা, জয়ন্ত মল্লবৰুৱা, অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা প্ৰমুখ্যে কেইবাগৰাকী জ্যেষ্ঠ বিষয়া, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাগ লয়। ভাগৱত পাঠেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত দিহানাম আৰু থিয়নামো পৰিৱেশন কৰা হয়। অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে অসম আন্দোলনৰ শ্বহীদসকললৈ শ্ৰদ্ধা জনাই অসম চৰকাৰে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ১৭০ কোটি টকা ব্যয়ৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি নিৰ্মাণ কৰা শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ কাইলৈ শ্বহীদ দিৱসৰ পৱিত্ৰ দিনটোত উদ্বোধন কৰা হ’ব। তেওঁ কয় যে এই স্মাৰক ক্ষেত্ৰখন অসমীয়া জাতি বিশ্বৰ বুকুত গৌৰৱেৰে জীয়াই থকাৰ সংকল্পৰ এক প্ৰতীক আৰু জাতিটোৰ বাবে প্ৰেৰণাৰ কেন্দ্ৰ হৈ পৰিব। গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ শ্বহীদ স্মাৰক ক্ষেত্ৰত শ্বহীদ দিৱস কেন্দ্ৰীয়ভাৱে পালন কৰাৰ লগতে সমগ্ৰ ৰাজ্যৰ জিলা আৰু সমজিলা সদৰতো আয়োজন কৰাৰ কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে সৰ্বস্তৰৰ ৰাইজক ইয়াত ভাগ ল’বলৈ আহ্বান জনায়।



## গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৬৭২ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

### অসম নগৰীকৰণৰ এটা ধাৰা বিগত পাঁচ-ছয় বছৰৰ পৰা আৰম্ভ হৈছে ঃ মুখ্যমন্ত্ৰী





**দিছপুৰ ঃ** দক্ষ নাগৰিককেন্দ্ৰিক সেৱাৰে সমৃদ্ধ আধুনিক প্ৰশাসন ব্যৱস্থা প্ৰৱৰ্তনৰ দিশত এক উল্লেখনীয় পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৭১ খন পৌৰসভাৰ ৬৬৪ গৰাকী পৌৰ কৰ্মচাৰী আৰু নগৰ তথা গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি-পত্ৰ প্ৰদান কৰে। আজিৰ এই নিযুক্তিৰ জৰিয়তে বৰ্তমানৰ ৰাজ্য চৰকাৰে প্ৰদান কৰা সৰ্বমুঠ নিযুক্তিৰ সংখ্যা ১,৪১,৮৬৬ গৰাকীলৈ বৃদ্ধি পালে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ পৌৰসভাসমূহৰ কৰ্মচাৰীসকলে তেওঁলোকৰ চাকৰি প্ৰাদেশিকীকৰণৰ বাবে দীৰ্ঘদিন ধৰি চৰকাৰক আবেদন জনাই আহিছিল। কিন্তু পৌৰ নিগম, পৌৰসভাৰ সমিতিসমূহ চৰকাৰৰ প্ৰত্যক্ষভাৱে অন্তৰ্গত নোহোৱাত আৰু পৌৰ নিগম আৰু পঞ্চায়তক চৰকাৰী ব্যৱস্থাৰ তৃতীয় খলপ বুলি গণ্য কৰাৰ বাবে এয়া হৈ উঠা নাছিল। বিগত দুটা দশক ধৰি চাকৰি প্ৰদেশীকৰণক লৈ বিভিন্ন প্ৰক্ৰিয়া চলি থকাৰ পিছত অৱশেষত বিভিন্ন আইনগত অসুবিধা দূৰ কৰি এই বছৰ অসম পৌৰ নিকায় কৰ্মচাৰী (প্ৰাদেশীকৃত) আইন, ২০২৫ অসম বিধানসভাত পাৰিত কৰা হৈছিল। যাৰ ফলস্বৰূপে ২০১৩ চনৰ ৪ ছেপ্তেম্বৰ তাৰিখৰ পূৰ্বৰ পৰা কৰ্মৰত অসমৰ সাধাৰণ এলেকাৰ ৮১ খন পৌৰসভাৰ ভিতৰত ৭১ খন পৌৰসভাৰ ১০৪৪ গৰাকী পৌৰ কৰ্মচাৰীৰ চাকৰি প্ৰদেশীকৰণৰ অনুমোদন প্ৰদান কৰা হয়। ইয়াৰে সাধাৰণ এলেকাৰ ৭১ খন পৌৰসভাৰ ৬৬৪ গৰাকী পৌৰ কৰ্মচাৰীৰ অনুমতি সাপেক্ষে তেওঁলোকৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই নিযুক্তি প্ৰদানৰ জৰিয়তে ৰাজ্যৰ পৌৰ নিগম আৰু পৌৰসভাৰ কৰ্মচাৰীসকলে প্ৰথমবাৰৰ বাবে চৰকাৰী কৰ্মচাৰীৰ মৰ্যাদা লাভ কৰিলে আৰু ইয়াৰ ফলত তেওঁলোকৰ বহুকেইটা চৰকাৰী সা-সুবিধা লাভৰ পথ প্ৰশস্ত হৈ পৰিল। তেওঁ উল্লেখ কৰে যে পৌৰ নিগম আৰু পৌৰসভাৰ কৰ্মচাৰীসকলে এতিয়াৰে পৰা নিয়মীয়া দৰমহা লাভ কৰাৰ উপৰি এনপিএছ নতুবা ইউপিএছৰ জৰিয়তে অৱসৰকালীন সা-সুবিধা লাভ কৰিব। তদুপৰি তেওঁলোকে আপোন ঘৰ, আপোন বাহন আঁচনিৰ সুবিধা, *১০ পৃষ্ঠাত*

## স্বাধীনোত্তৰ কালত বৰ্তমান অসমত উন্নয়ন আৰু পৰিৱৰ্তনৰ সোণালী যুগ চলি আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ ঃ** শিক্ষা আহৰণৰ বাটত ছাত্ৰ-ছাত্ৰীলৈ অনুপ্ৰেৰণা যোগোৱাৰ মহান উদ্দেশ্য আগত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীলৈ স্কুটাৰ বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই আঁচনিৰ অধীনত এইবাৰ ১১,২৫০ গৰাকী শিক্ষাৰ্থীক সামৰি লোৱা হৈছে, ইয়াৰে ৬,৮৬০ গৰাকী ছাত্ৰী আৰু ৪,৩৯০ গৰাকী ছাত্ৰ। পাঞ্জাবাৰীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত আয়োজিত এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উৎকৰ্ষতাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে ড° বাণীকান্ত কাকতি মেধা বঁটাৰ জৰিয়তে *১০ পৃষ্ঠাত*

## নগাঁৱৰ মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** ১৯৫১ চনত স্থাপিত নগাঁৱৰ ঐতিহ্যমণ্ডিত মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়খনিয়ে আগন্তুক ২০২৬ বৰ্ষত সম্পূৰ্ণ কৰিব ৭৫ বছৰীয়া এক সুদীৰ্ঘ পৰিক্ৰমা। বিগত সময়ছোৱাত বৃহত্তৰ পাথৰি অঞ্চলৰ উপৰি ভোটাইগাঁও, চকৰিগাঁও, উৰিয়াগাঁও, কাটনিগাঁও, পৰুৱাগাঁও, ডিমৰুগুৰি, মাহৰোলকে ধৰি বিভিন্ন অঞ্চলৰ হাজাৰ হাজাৰ শিক্ষাৰ্থীয়ে শিক্ষাগ্ৰহণ কৰা এই বিদ্যালয়খনৰ সৈতে জড়িত হৈ আছে অলেখ স্মৃতি। এই আপাহতে বিদ্যালয়খনৰ বৰ্তমান আৰু প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰীসকল, বিদ্যালয় পৰিচালনা সমিতিৰ লগতে বৃহত্তৰ অঞ্চলবাসী একত্ৰিত হৈ হীৰক জয়ন্তী অনুষ্ঠান ভাগ আয়োজনৰ চিন্তা-চৰ্চা কৰা হৈছে। এই উদ্দেশ্যে যোৱা ৭ ডিচেম্বৰৰ বিয়লি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লক্ষী প্ৰসাদ শৰ্মাই আঁত ধৰা এই সভাখনত সভাপতিত্ব কৰে বিদ্যালয়খনৰ *১০ পৃষ্ঠাত*

# বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱত বিনীতা দেৱীৰ পৰিচালনাত ‘ৰাৱণ বধ’ৰ সফল মঞ্চায়ন

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ উত্তৰ-পূৰ্ব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰ, ডিমাপুৰে আয়োজন কৰা ‘বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱ’ত যোৱা ৬ ডিচেম্বৰত সংগীত নাটক অকাডেমীৰ পৰা ওস্তাদ বিছমিল্লা খান যুৱ পুৰস্কাৰ প্ৰাপ্ত বিনীতা দেৱীৰ পৰিচালনাত ‘ৰাৱণ বধ’ পুতলা নাচৰ মাধ্যমত মঞ্চস্থ হয়। নাটখনৰ ৰচনা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ পৰা ফেল’স্বিপ প্ৰাপ্ত সীমান্ত শৰ্মাৰ। পুতলা নাটখনত লাঠী পুতলা, ছাঁ পুতলা আৰু সূতা পুতলাৰ জৰিয়তে পৰিৱেশিত হয়। ‘ৰাৱণ বধ’ নাটখনে ‘বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱ’ত উপস্থিত থকা শিল্পী আৰু বিশিষ্ট অতিথিসকলৰ পৰা যথেষ্ট সমাদৰ লাভ কৰে। পুতলা নাটখনত পৰিৱেশন কৰা পুতলা সমূহৰ সঞ্চালন প্ৰতিটো দৃশ্য সুন্দৰভাৱে উপস্থাপন কৰিছিল। নাট এখনত নাট্য শাস্ত্ৰৰ নৱৰস অন্তৰ্নিহিত হোৱাটো প্ৰয়োজনীয় দিশ। ‘ৰাৱণ বধ’ নাটখনত সকলো ৰসেই দেখুওৱা হৈছিল। নাটখনত অলাগতীয়াল শব্দৰ প্ৰয়োগ নকৰি নাট্যকাৰে অসমীয়া সাহিত্যৰ সাৱলীল ৰূপ প্ৰতিফলিত কৰিছিল। নাটৰ চৰিত্ৰ সমূহৰ ৰাম, সীতা, লক্ষণ, ৰাৱণ, সুৰপনাখা আৰু জতায়ুৰ পুতলা সঞ্চালনে দৰ্শকক অভিভূত কৰি তুলিছিল। সুৰপনাখাৰ পৰা সুন্দৰী নাৰীলৈ সলনি হোৱা কলা কৌশল দেখি দৰ্শক অভিভূত হৈ পৰে। লক্ষ্মণে সুৰপনাখাৰ নাক কটা, ৰাৱণ আৰু জটায়ুৰ যুদ্ধই দৰ্শকক অভিভূত কৰি তুলিছিল। সীতাক ৰাৱণৰ পৰা উদ্ধাৰ কৰাৰ বাবে জটায়ুৰ যি প্ৰচেষ্টা তাক সুন্দৰ কৈ প্ৰতিফলিত কৰিছে নাটখনত। নাটখনত সংগীত পৰিচালনা পাপু গোহাঁইৰ। নাটকখনত ‘বিলুপ্ত লোক আৰু জনজাতীয় কলা উত্থান মহোৎসৱ’ত আধ্যাত্মিক সংগীত, লোক সংগীত, পাশ্চাত্য সংগীতৰ সংমিশ্ৰণৰ মধুৰ সুৰে সকলোকে মন্ত্ৰমুগ্ধ কৰি তুলিছিল। পুতলা নাটখনত পুতলা সমূহ সঞ্চালন কৰিছিল বিনীতা দেৱী, প্ৰণৱ জ্যোতি ৰাভা, হেমেন সেনাপতি, কৰিস্মিতা তালুকদাৰ, সীমান্ত শৰ্মা, পলক কৈৰি, গনেশ বড়ো। সাজসজ্জা তৃষ্ণা ৰাজবংশী, দীপা মহন্ত, হিমাংশু দাস আৰু কৃতাৰ্থ শৰ্মাৰ। মঞ্চসজ্জা সীমান্ত শৰ্মা আৰু গণেশ বড়োৰ। ‘ৰাৱণ বধ’ নাটখনত শিল্পী আৰু দৰ্শক সকলক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পৰাটো পৰিচালক বিনীতা দেৱীৰ কৃতিত্ব দাবী কৰিব পাৰি।

# নগাঁৱৰ গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি-সম্পাদকৰ ৰাজ্যিক সন্মিলন সফলতাৰে সম্পন্ন

## বিনোদ খেটাৱতক বিশিষ্ট সমাজ সেৱকৰ বঁটা প্ৰদান



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ প্ৰধান কাৰ্যলয়ত অৱস্থিত গ্ৰাম্য পুথিভঁৰাল সন্থাৰ অন্তৰ্গত জিলা আৰু মহকুমা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি-সম্পাদক সকলৰ মাজত এখন ৰাজ্যিক সন্মিলন অনুষ্ঠিত কৰা হয়। প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি গ্ৰাম্য পুথিভঁৰালৰ সন্থাৰ বিষয়ে বহু গাম্ভীৰ্যপূৰ্ণ মতামত আগবঢ়ায়। সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। তদুপৰি সন্থাই বিগত সময়ত ৰূপায়ণ কৰা আচনিৰ বিষয়ে পৰ্যালোচনা কৰাৰ লগতে সন্থাৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে জিলা আৰু মহকুমা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি-সম্পাদকসকলে বিভিন্ন পৰামৰ্শ আগবঢ়োৱাৰ উপৰিও কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উল্লেখ্য যে পুথিভঁৰাল সন্থাৰ ফালৰ পৰা সমাজসেৱক বিনোদ খেটাৱত, সন্থাৰ নগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি শম্ভুৰাম শইকীয়া, প্ৰাক্তন উপ-সভাপতি, সম্পাদক ৰাজ্যিক সমিতিৰ বিষয়ববীয়া আৰু কৰ্মচাৰীসকলৰ মাজত সাংস্কৃতিক অনুষ্ঠান সম্পন্ন কৰা হয়।

# প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত বিহপুৰীয়াত বিধায়ক কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা আৰম্ভ




**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** বিহপুৰীয়া সমষ্টি ভিত্তিত বিধায়কৰ ক্ৰীড়া উন্নয়ন সমিতিৰ উদ্যোগত ভাৰতীয় জনতা পাৰ্টীৰ বিহপুৰীয়া, নাৰায়ণপুৰ পূৰ আৰু পশ্চিম মণ্ডলৰ সহযোগত অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত বিধায়ক কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। মুঠ ২৪টা দলৰ মাজত সমষ্টিটোৰ বিহপুৰীয়া ষ্টেডিয়াম, নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ, ধলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰ, দোৰপাং গৰুবন্ধা খেলপথাৰ, পথালি পাহাৰ (ডিক্ৰং চাপৰি খেলপথাৰ), সংযুক্ত খেলা সংঘৰ খেলপথাৰ মেৰমুখত অনুষ্ঠিত হ’ব লগা প্ৰতিযোগিতাখনিৰ উদ্বোধনী খেলখন শিমলুগুৰি ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হয়। বিহপুৰীয়া সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাই আদৰণী ভাষণ প্ৰদান কৰা উদ্বোধনী অনুষ্ঠানটো শুভ উদ্বোধন কৰি মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অৰূপজ্যোতি চৌধুৰীয়ে ক্ৰীড়া বাদ দি উন্নয়ন হ’ব নোৱাৰে বুলি উল্লেখ কৰে। অনুষ্ঠানটোত প্ৰাক্তন ফুটবল খেলুৱৈ তৰুণ গগৈ, বনমালী বসুমতাৰী, গুঞ্জানন বসুমতাৰী, সুৰেন বসুমতাৰী, ৰাজেন বৰা, প্ৰাক্তন ভলীবল খেলুৱৈ ৰণজিৎ শইকীয়া, লন বল আন্তৰাষ্টীয় প্ৰতিযোগিতাত ব্ৰঞ্জ পদক জয়ী সুৰজিৎ বুঢ়াগোহাঁইক সম্বৰ্ধনা জনোৱা হয়। অহা ২৩ ডিচেম্বৰত বিহপুৰীয়া ষ্টেডিয়ামত সামৰণি পৰিব লগীয়া প্ৰতিযোগিতাখনিৰ শিমলুগুৰি ফুটবল একাদশ বনাম ব্ৰহ্মপুত্ৰ একাডেমী ফুটবল দলৰ মাজত অনুষ্ঠিত হয়। খেলখনত ১-০ গ’লৰ ব্যৱধানত শিমলুগুৰি ফুটবল একাদশে জয়লাভ কৰে। উদ্‌যাপন সমিতিৰ সভাপতি মুকুল হাজৰিকা, কাৰ্যকৰী সভাপতি দেৱজিৎ হাজৰিকা, তপন বণিয়া, সাধাৰণ সম্পাদক জয়ন্ত কাকতি, সম্পাদক মানৱ দাস আদিয়ে সকলোৰে সহযোগিতাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।


# শিৱসাগৰত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গ সোঁৱৰণী নাটক ‘ৰাজপথৰ বেশ্যা’ৰ শুভ মহুৰত



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** ২০ টা বছৰ অতিক্ৰম কৰা শিৱসাগৰ জিলাৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান সমন্বয় সাংস্কৃতিক গোষ্ঠী ৰ উদ্যোগত আৰু অসমৰ সৰ্ববৃহৎ নাট্য অনুষ্ঠান ‘অসম নাট্য সন্মিলন-শিৱসাগৰ শাখা’ৰ সৌজন্যত তথা শিৱসাগৰবাসী ৰাইজৰ সহযোগত এখন নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে, নৱপ্ৰজন্মক নাট্য সংস্কৃতিৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ মানসেৰে অহা ইংৰাজী নৱবৰ্ষৰ ০৩ জানুৱাৰী-২০২৬ চন শনিবাৰে শিৱসাগৰ নগৰৰ হিন্দু ধৰ্ম্মসভা নামঘৰ প্ৰেক্ষাগৃহত সন্ধ্যা ৬ বজাত মঞ্চস্থ হ’বলগীয়া বিশিষ্ট গল্পকাৰ, নাট্যকাৰ প্ৰয়াত শান্তনু বৰুৱা দেৱৰ ‘ৰাজপথৰ বেশ্যা’ নাটকখনিৰ যোৱা ৭ ডিচেম্বৰত শুভ মহুৰত সম্পন্ন হয়। সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ প্ৰধান সম্পাদক অমৃত কুমাৰ শৰ্মাই আঁত ধৰা আৰু অসম নাট্য সন্মিলন-শিৱসাগৰ শাখাৰ সম্পাদক পৰী শইকীয়াই পৰিচালনা কৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি নাট্যকাৰ-অভিনেতা ক্ষীৰোদ কুমাৰ বৰদলৈয়ে নাটকখনৰ লগত জড়িত সকলোকে আন্তৰিক শুভকামনা জ্ঞাপন কৰে। তাৰ পাছতেই এক বন্দনাৰে নাটকৰ আখৰাৰ শুভাৰম্ভণি কৰা হয়। উল্লেখযোগ্য যে, অসমৰ হিয়াৰ আমঠু, হামিং কিং, বোলছবি নিৰ্মাতা, অভিনেতা জুবিন গাৰ্গৰ স্মৃতিত মঞ্চস্থ হ’বলগীয়া নাটকখনিৰ পৰিচালনা বিকাশ বৰদলৈৰ। সহঃ পৰিচালকৰ দায়িত্বত আছে পাৰ্থ প্ৰতীম শৰ্মা। আনহাতে সামগ্ৰিক পৰিকল্পনা আৰু ব্যৱস্থাপনা অমৃত কুমাৰ শৰ্মা। এই নাটকখনত সমন্বয় সাংস্কৃতিক গোষ্ঠী, শিৱসাগৰ শাখা অসম নাট্য সন্মিলনৰ শিল্পীবৃন্দৰ লগতে কেইবাগৰাকীও ন-পুৰণি অভিনেতা-অভিনেত্ৰীয়ে অভিনয়ৰে অলংকৃত কৰিব বুলি জানিবলৈ দিয়াৰ লগতে নাটকখনি সফলভাৱে মঞ্চস্থ কৰাৰ ক্ষেত্ৰত সকলো ৰাইজৰ সহায়-সহযোগিতা অসম নাট্য সন্মিলন-শিৱসাগৰ শাখাৰ সম্পাদক পৰী শইকীয়াই কামনা কৰিছে। উক্ত অনুষ্ঠানত নাট্য পৰিচালক বিকাশ বৰদলৈ, শিৱসাগৰ শাখা অসম নাট্য সন্মিলনৰ কোষাধ্যক্ষ তথা জ্যেষ্ঠ অভিনেতা ধীৰাজ দত্ত, সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ উপ-সভাপতিদ্বয় মানসী বৰা আৰু জুৰিমণি দত্ত, সাংস্কৃতিক আহ্বায়ক দেৱজানী ৰাজখোৱা, অভিনয় শিল্পী ক্ৰমে স্বমীম চুলতানা, অৰিন্দম শৰ্মা, শ্যামল ৰাজগুৰু, পাৰ্থ প্ৰতীম দাস, বৰ্ণিল হাজৰিকা আদিৰ লগতে কেইবাগৰাকীও নাট্যকৰ্মী উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ বিশিষ্ট কবি ডাঃ প্ৰণয় ফুকনলৈ ‘বন্ধু-চাকি সাহিত্য-বঁটা’

**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** ‘বন্ধু-চাকি’ৰ অষ্টম-প্ৰয়াস হিচাপে ২০২৬ৰ ‘বন্ধু-চাকি সাহিত্য-বঁটা’ আগবঢ়োৱা হৈছে। ‘মোৰে শপত টেলিফোন নকৰিবা’ (২০০৪) নামৰ প্ৰথমখন কবিতা-পুথিৰে সুখ্যাত হৈছিল কবি প্ৰণয় ফুকন। ইয়াৰোপৰি তেখেতৰ অন্যান্য কাব্য সংকলন হৈছে ‘শুভেচ্ছাৰ দিনলিপি’ (২০২৩), ‘নৈ’ আৰু ‘অসমৰ প্ৰতিবাদী কবি-কণ্ঠ’, সম্পাদিত কবিতা-সংকলন; ‘প্ৰিয় কবি, প্ৰিয় কবিতা’ প্ৰবন্ধৰ কিতাপ; ‘আবেলিৰ অতিথি’ (২০১৬) উপন্যাস; ‘পূবৰ খিৰিকী পশ্চিমৰ বাৰাণ্ডা’ (২০২৫) তেওঁৰ অন্যতম গল্পৰ সংকলন। ১৯৬২ চনত শিৱসাগৰৰ দিখৌমুখত জন্মগ্ৰহণ কৰা কবি, গল্পকাৰ, ঔপন্যাসিক ডাঃ প্ৰণয় ফুকন বৰ্তমান অসম চিকিৎসা মহাবিদ্যালয়ৰ এগৰাকী জ্যেষ্ঠ চিকিৎসক। অহা ৪ জানুৱাৰী, দেওবাৰে দুলীয়াজান সাহিত্য সভাৰ ‘বৰদলৈ ভৱন’ত পুৱা ১১ বজাত অনুষ্ঠিত হ’বলগীয়া ‘বন্ধু-চাকি সাহিত্য-বঁটা’ অনুষ্ঠানত ডাঃ ফুকনৰ হাতত সাহিত্য-বঁটাটি তুলি দিব স্বনামধন্য কবি, অনুবাদক ড° হিতেন শৰ্মাই। এই অনুষ্ঠানতে তিনিগৰাকী নিৰ্বাচিত কবিক ‘বন্ধু-চাকি সাহিত্য-বঁটা’ প্ৰদান কৰা হ’ব বুলি সভাপতি উদয় কুমাৰ শৰ্মাই জানিবলৈ দিয়ে। বিয়লি অনুষ্ঠিত হ’বলগীয়া ‘কবিতাৰ আড্ডা’লৈ সকলো কবিতানুৰাগী লেখকৰে সঁহাৰি বিচাৰিছে উদ্যোক্তাসকলে।



# মৰিগাঁৱত শিক্ষাৰ্থীৰে যুৱ সংসদ সম্পন্ন

## সামাজিক মাধ্যমৰ যথোচিত ব্যৱহাৰত যুৱ সংসদৰ গুৰুত্ব প্ৰদান



**গুৱাহাটী ঃ** মৰিগাঁও জিলা প্ৰশাসন আৰু মৰিগাঁও জিলা শিক্ষা বিভাগৰ যুটীয়া উদ্যোগত ৬ ডিচেম্বৰত মৰিগাঁৱৰ সমন্বিত জনজাতীয় উন্নয়ন প্ৰকল্পৰ প্ৰেক্ষাগৃহত জিলাখনৰ চৰকাৰী উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীৰ মাজত এখনি যুৱ সংসদ অনুষ্ঠিত হয়। উক্ত সংসদত সদনৰ মতে 'সামাজিক মাধ্যমৰ ব্যৱহাৰ শিক্ষাৰ্থীৰ বাবে এক প্ৰয়োজনীয় মাধ্যম' শীৰ্ষক এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। তৰ্ক প্ৰতিযোগিতাখন উদ্বোধন কৰে মৰিগাঁও জিলাৰ ভাৰপ্ৰাপ্ত জিলা আয়ুক্ত অৰ্পণা বাগলাৰীয়ে। উদ্বোধনী অনুষ্ঠানত মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈ, মৰিগাঁৱৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) অনুসূয়া শৰ্মা, মৰিগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত মৃগাক্ষী বৰুৱা আৰু অতিৰিক্ত আয়ুক্ত সন্তোষ বুঢ়াগোহাঁয়ে বিশিষ্ট অতিথি হিচাপে ভাগ লয়। উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে আদৰণী ভাষণ প্ৰদান কৰে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই। মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ ১৬০ গৰাকী শিক্ষাৰ্থীয়ে উক্ত তৰ্ক প্ৰতিযোগিতাত সফলতাৰে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত শিক্ষাৰ্থীসকলকে ইতিবাচক দৃষ্টিভংগীৰে বিষয়বস্তুৰ সপক্ষে আৰু বিপক্ষে সুন্দৰ যুক্তি প্ৰদৰ্শন কৰি শ্ৰোতাৰ অন্তৰ জয় কৰে। প্ৰতিযোগিতাৰখনত অধ্যক্ষ হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক ড° দয়ানন্দ পাঠকে। প্ৰতিযোগিতাৰ অন্তত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা লেখক-সাংবাদিক পৰেশ বৈশ্য, বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠকে বিশিষ্ট অতিথি হিচাপে ভাগ লয়। ভাষণ প্ৰসংগত ড° পাঠকে কয় যে সামাজিক মাধ্যমসমূহৰ যথোচিত ব্যৱহাৰৰ ওপৰতেই ইয়াৰ উপযোগিতা নিৰ্ভৰ কৰে। বঁটা বিতৰণী অনুষ্ঠানত পৰেশ বৈশ্যই কয় যে সামাজিক মাধ্যমসমূহ হ'ল সত্য আৰু অসত্য তথ্যৰ ভঁৰাল। সামাজিক মাধ্যমসমূহে সাম্প্ৰতিক সময়ত বিশ্বাসৰ এক আধাৰ নিৰ্মাণৰ পৰিৱেশ সৃষ্টি কৰিছে। ইফালে সামাজিক মাধ্যমসমূহে সঁচা-মিছাক ধুৱলী-কুঁৱলী কৰাৰ ফলত সত্য-তথ্যৰ অন্বেষণ কৰাটো কঠিন হৈ পৰিছে। তথাপিও সামাজিক মাধ্যমসমূহৰ গুৰুত্ব উলাই কৰিব পৰা বিধৰ নহয় বুলিও বৈশ্যই মন্তব্য কৰে। সামৰণি অনুষ্ঠানত ভাগ লৈ মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই কয় যে জিলাখনে শিক্ষাৰ্থীসকলৰ সৰ্বাংগীন বিকাশৰ বাবে অনাগত দিনত ভালেমান সৃজনশীল পদক্ষেপ লোৱাৰ পৰিকল্পনা আছে। তেখেতে বিদ্যালয়সমূহকো নিজ নিজ বিদ্যালয়ত সুস্থ শৈক্ষিক বাতাবৰণ অব্যাহত ৰাখিবলৈ আহ্বান জনায়। সামৰণি অনুষ্ঠানত তৰ্ক প্ৰতিযোগিতাখনৰ বিচাৰক মণ্ডলী ক্ৰমে ড° অচ্যুত দাস, ড° হিমাংশু হালৈ আৰু ড° জয়শ্ৰী নাথ উপস্থিত থাকে। অনুষ্ঠানত তৰ্ক প্ৰতিযোগিতাত বিজয়ীসকলক ট্ৰফি আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। মৰিগাঁও জিলা ভিত্তিত আয়োজিত এই তৰ্ক প্ৰতিযোগিতাত নাগাবন্ধা মাধ্যমিক বিদ্যালয়ৰ ভাস্কৰ নাথে প্ৰথম পুৰস্কাৰ, পিএমশ্ৰী জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰিহান আখতাৰে দ্বিতীয় স্থান, মৈৰাবাৰীৰ পিএমশ্ৰী আদৰ্শ বিদ্যালয়ৰ কৃষ্টিজিনা বৰাই তৃতীয় স্থান আৰু পিএমশ্ৰী জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰিজ চান আলীয়ে নিচুকনি বঁটা লাভ কৰে। অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলকো প্ৰতিযোগিতাত অংশগ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

# যোৰহাট, মাজুলীত কৃষক মৰ্চাৰ কৃষক সজাগতা সভাত কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্য



**ৰমেন ভৰালী, বংশৰ ঃ** যোৰহাট জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ আৰু ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চাৰ উদ্যোগত যোৰহাট কৃষি বিভাগ আৰু ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট কৃষক মৰ্চাৰ সহযোগত যোৰহাট দেৱকুমাৰ বৰা সোঁৱৰণী প্ৰেক্ষাগৃহত যোৱা ৬ ডিচেম্বৰত কৃষক সজাগতা সভা অনুষ্ঠিত হয়। অসম ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ নেতৃত্বত যোৱা কৃষি বিভাগৰ বিষয়াসকলে কৃষকসকলৰ সমস্যা, অভিযোগ, পোনপটীয়াকৈ বুজি সমাধানৰ প্ৰয়াস কৰে। যোৰহাট জিলাৰ প্ৰায় ৩৫০ গৰাকী থলুৱা কৃষকৰ সৈতে জিলা প্ৰশাসন, কৃষি বিভাগ, মীন বিভাগৰ বিষয়া সকলৰ সহিতে পোনপটীয়াকৈ বাৰ্তালাপ কৰা হয়, সমস্যা সমাধানৰ বাবে এই সভাতে কৃষকক দিহা পৰামৰ্শ দিয়া হয়। কৃষক সজাগতা সভাত কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই উপস্থিত থাকি কৃষকসকলক উদ্দেশ্য কয় যে কৃষকসকলে এতিয়া সজোৰে দাবী কৰিব পৰা হ'ল। ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰখন আমাৰ চৰকাৰ। সমগ্ৰ দেশতে কৃষকৰ অৱস্থা নদন-বদন বুলি কৈ তেখেতে আদৰণীয় প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী মহোদয়ে দিনে-নিশে কৃষকৰ হিতৰ চিন্তাত ব্যস্ত থাকে বুলি কয়। কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্য্যদেৱে আৰু কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমত মধ্যভোগী ধূলিস্যাৎ কৰিছে, কৃষকৰ দ্বাৰা উৎপাদিত প্ৰতিবিধ সামগ্ৰীৰ উচিত মূল্য পাবলৈ কৃষক ৰাইজ আজি সক্ষম হৈছে। লগতে ভাৰতীয় জনতা পাৰ্টীৰ কৃষক মৰ্চাৰ দায়িত্ব বৃদ্ধি পাইছে। সমগ্ৰ অসমৰ কৃষকৰ সেৱা কৰা, খেতিয়ক সকলৰ মাজত এখন সুন্দৰ সমাজ গঠন কৰাত সহায় কৰা। কৃষক ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাই মুল উদ্দেশ্য বুলি কয়। তেখেতে ভাষণ প্ৰসংগত পূৰ্ব্বৰ চৰকাৰ সমূহে খেতিয়ক ৰাইজক শোষণ কৰিছিল। কৃষক সকলৰ বাবে কোনো জনকল্যাণ আঁচনি লোৱা হোৱা নাছিল। সকলো আঁচনি মধ্যভোগী হাতত সীমাবদ্ধ আছিল। কাগজে কলমে আঁচনি। কৃষকৰ হাতত গৈ পোৱা নাছিল বুলি কয়। ভাৰতবৰ্ষত বিজেপি চৰকাৰ অহাৰ পৰা কৃষকৰ অৱস্থা দিনে দিনে ভাল হ'বলৈ ধৰিলে, মধ্যভোগী পলাই পত্ৰং দিলে। কৃষক ৰাইজে বুজি উঠিছে বিজেপি চৰকাৰ মানে আমাৰ চৰকাৰ বুলি ভাষণত উল্লেখ কৰে। উল্লেখ্য যে ৭ ডিচেম্বৰত মাজুলী জিলা প্ৰশাসন আৰু ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ উদ্যোগত আৰু মাজুলী কৃষক মৰ্চাৰ সহযোগত অনুষ্ঠিত কৃষক সজাগতা সভাতো কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই অংশগ্ৰহণ কৰে।

# ডিচেম্বৰ মানেই নতুন আশাৰ ৰেঙণি

■ **মৰমী আহমেদ,** নলবাৰী

**ডি**চেম্বৰ মানেই নতুন আশাৰ আৰম্ভণি, ডিচেম্বৰ মানেই এটি নতুন অভিজ্ঞতাৰ সৃষ্টি। ডিচেম্বৰ মানে যেন আমাৰ বাবে ন ন পৰিকল্পনাৰ আয়োজনৰ সময়, ডিচেম্বৰ মানে যেন স্মৃতিৰ পৃষ্ঠাত ঘটে এটি নতুন অধ্যায়ৰ সংযোজন। ক্ষণ গণি গণি গোটেই বছৰটোৱে গ'ল বাগৰি। আৰু মাথোঁ কেইদিমান বাকী, তাৰ পাছতে হৃদয়ে বিচাৰি ফুৰিব আকৌ নতুন বছৰৰ সুৱাস। প্ৰতি বছৰৰ অন্তিম ক্ষণত মনত উদয় হোৱা বা কোনোবাই জানিব বিচৰা ধৰণে এইবাৰো সেই একেই প্ৰশ্ন, সেই একেই মুহূৰ্তবোৰ আমাৰ মনলৈ আহিব। অন্য বছৰৰ দৰে এই বৰ্ষৰো বিদায় পৰত সকলোৰে মনত উদয় হ'ব ২০২৫ বৰ্ষটোৱেই আমাক কি দিলে, এই বছৰটো আমাৰ কেনেধৰণে পাৰ হ'ল, এই বৰ্ষটোত আমি এনে কি পালোঁ, এনে কি হেৰুৱালো যাক জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ ইত্যাদি ধৰণৰ প্ৰশ্নবোৰ। যাৰ উত্তৰবোৰো হয়টো সেই একেই পূৰ্বৰ দৰে দিব লাগিব যে - প্ৰতি বছৰৰ দৰে এই বছৰটোৱেও আমাক দি থৈ গ'ল কিছু কিছু নতুন অভিজ্ঞতা। বিগত বৰ্ষসমূহৰ দৰেই এই বৰ্ষটোৱেও আমাৰ বুকুত সানি দিলে কিছুমান সুখ দুখৰ ৰং। আগৰ বৰ্ষবোৰৰ দৰে এই বৰ্ষই ও দি থৈ গ'ল মনত বহুতো তিক্ততা, শুনালে বেদনা ভৰা মৰ্মান্তিক কাহিনী।

মুঠতে স্মৃতিৰ কেতিয়াও শেষ নাই, অনুভৱৰ কোনো সঠিক ঠিকনা নাই। আছে মাথোঁ সময়ৰ সৃষ্টিশীল আয়োজন আৰু নতুনত্বৰ সন্ধান। এইটো কথা সকলোৱে স্বীকাৰ কৰিব লাগিব যে সময়ৰ গতিশীলতাৰ লগে লগেই আমাৰ সকলোৰে অনুভৱবোৰ ভিন্ন হয়। যি ভিন্নতাই ধৰি ৰাখে পৰিৱৰ্তনশীল সময়ে আমাৰ সন্মুখত দাঙি ধৰা প্ৰতিটো প্ৰতিশ্ৰুতিক।

নাজানো অনাগত বৰ্ষই আমাৰ জীৱনলৈ কি নতুনত্ব কঢ়িয়াই আনিব। কিন্তু আমি প্ৰত্যেকে প্ৰতিবছৰে এইটোকেই আশা কৰি আহিছোঁ, কৰোঁ যে এই চলিত বৰ্ষতকৈ নতুন বৰ্ষটো আমাৰ বাবে শুভ হওঁক। কিন্তু শুভ হওঁক বুলি ক'লেইটো নহ'ব। যিহেতু সুখ দুখ আমাৰ জীৱনৰ ইপিঠি সিপিঠি। গতিকে সুখৰ লগে লগেই দুখৰ পৰিমাণ ও সমানেই পৰিলক্ষিত হয় জীৱনত কটোৱা প্ৰতিটো মুহূৰ্তৰ মাজেৰে।

# ধলপুৰত ৰাইজৰ উৎসৱ উদযাপন, অভিভাৱকসকলৰ ক্ৰীড়া-প্ৰীতিভোজ আৰু সাংস্কৃতিক অনুষ্ঠান



**ধলপুৰ ঃ** সমগ্ৰ শিক্ষা অসমৰ ৰাইজ উৎসৱ ২০২৫-২৬ (কমিউনিটি ফেচটিভেল) অনুষ্ঠানটি বৰ্ণাঢ্য ৰূপেৰে ০৫ ডিচেম্বৰৰ দিনা ধলপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। কাৰ্যক্ৰম অনুযায়ী পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ কৰাৰ পাছতেই শিক্ষয়িত্ৰী পল্লৱী বৰাই আঁত ধৰা বন্তি প্ৰজ্বলন আৰু জুবিন গাৰ্গৰ বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি জ্বলাই শিক্ষয়িত্ৰীদ্বয় দুলাড়ী বৰুৱা, ৰূপা দাসে আৰু শিল্পী গৰাকীৰ আলোকচিত্ৰত মাল্যবৰণ কৰে নীতি আয়োগ বিভাগৰ দ্বীপেন গগৈ আৰু ধলপুৰ চাৰিআলি ১৩৭ নং অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী সোণমণি বৰুৱাই। ইয়াৰ লগে লগে শিক্ষয়িত্ৰী হাস্নাৰাণী শইকীয়াৰ সহযোগত মাতৃগোটৰ সদস্যসকলে সমৱেত সংগীত, দিহানাম আৰু বিহুনাচ প্ৰদৰ্শন কৰে। শিক্ষক প্ৰশান্ত হাজৰিকা, পুলিন শইকীয়া, গোপাল হাজৰিকা, ৰাজু শৰ্মা, প্ৰাণজীৱ বৰাৰ পৰিচালনাত অনুষ্ঠিত বেজি খেল, চামুচ খেল, সঙ্গীতচকী আৰু দৌৰ প্ৰতিযোগিতাৰ বেজি খেলত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে অভিভাৱক জানমণি গগৈ, জীৱিকা দাস লিগিৰাই, চামুচ খেলত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে মমী বৰা, ৰেণু কাকতি শইকীয়া, সঙ্গীতচকী খেলত প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে অভিভাৱক জোনমণি দাস আৰু ৰেণু কাকতি শইকীয়া, দৌৰ প্ৰতিযোগিতাত প্ৰথম আৰু যুটীয়াভাৱে দ্বিতীয় স্থান লাভ কৰে জানমণি গগৈ, দীপামণি দাস আৰু অংকিতা বৰুৱাই। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত মুকলি সভাত আদৰণি ভাষণ ৰাখে চি আৰ চি চি কৰবী দাস আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰসংগত শিক্ষক-কবি বিতোপন গগৈয়ে- 'ৰাইজৰ উৎসৱ আঘোণমহীয়া ন-খোৱা পৰ্বৰ দৰে। য'ত শিক্ষক, অভিভাৱক-ছাত্ৰ-ছাত্ৰীসকল একত্ৰহৈ শিক্ষাৰ লেচেৰি গোটাই আৰু অনাগত দিনৰ বাবে বিদ্যাৰ পৰিকল্পনা ৰচে...' বুলি মন্তব্য আগবঢ়ায়। শিক্ষক শৰৎ কাকতি আৰু ডিম্বকান্ত পেগুৰ পৰিচালনাত বিজয়ী অভিভাৱকসকলক পুৰস্কাৰ প্ৰদান কৰি আয়োজক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিকাশ বৰা আৰু সহযোগী সঞ্জীৱ বসুমতাৰীয়ে পূৰ্ণ সহযোগিতাৰ বাবে ৰাইজক কৃতজ্ঞতা জনায়। উল্লেখ্য যে উক্ত অনুষ্ঠানত কমাৰচুক নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়, ৰজাবাৰী প্ৰাথমিক বিদ্যালয়, খনাপিছলা প্ৰাথমিক বিদ্যালয়, গেলেকি প্ৰাথমিক বিদ্যালয়, বালিকুছী প্ৰাথমিক বিদ্যালয় আৰু দকুৱা-বালিকুছী প্ৰাথমিক বিদ্যালয়েও সহযোগ আগবঢ়াইছিল।

# বনভোজৰ পৰিৱেশত উচ্ছৃংখলতা

## এক সামাজিক সমস্যাৰ আলোকপাত



■ **শংকৰ দেৱ,** দেৰগাঁও

**স**ময়ৰ সৈতে সংগতি ৰাখি আমাৰ সমাজত বনভোজ খোৱাৰ এটি প্ৰথা সুদুৰ অতীতৰ পৰাই বৰ্তি আছে। বিশেষকৈ ইংৰাজী বৰ্ষৰ শেষৰ ডিচেম্বৰ মাহ আৰু নৱবৰ্ষৰ জানুৱাৰী মাহত প্ৰকৃতিৰ সুন্দৰ স্থান বিশেষে বিভিন্ন ঠাই বনভোজৰ দলেৰে উপচি পৰে। বনভোজ হৈছে মানুহৰ এক আনন্দ ভৰা আৰু মিলাপ্ৰীতিৰ এক মনোৰম উপসমৰ মাধ্যম। পৰিয়ালৰ প্ৰতি গৰাকী সদস্য-সদস্যা, বিদ্যালয়ৰ



সমনীয়া সকলে একগোট হৈ বা সামাজিক গোটৰ সদস্যৰ লগত সমন্ব ৰাখি প্ৰকৃতিৰ কোলাত প্ৰকৃতিৰ সৈতে সময় কটোৱাটো এক বিশেষ আমোদ। বনভোজ হৈছে জীৱনৰ দৈনন্দিন ভাগৰ দূৰ কৰাৰ এক সুকীয়া মাধ্যম, কিন্তু বহু সময়ত এই আনন্দ আৰু সুন্দৰ পৰিৱেশৰ মাজতে উদ্ভৱ হোৱা উচ্ছৃংখলতাৰ কাৰণে বনভোজৰ আনন্দময় পৰিৱেশ বিনষ্ট হয় আৰু সমাজ তথা পৰিৱেশৰ ওপৰত অপ্ৰত্যাশিত প্ৰভাৱ পৰে। এই আনন্দৰ উচ্ছাসত আমি বহুতেই হয়তো জ্ঞাতে বা অজ্ঞাতে এই কথা পাহৰি যাওঁ আৰু এই বিশেষ দিনত কিছুমান দিশত দায়িত্বজ্ঞানহীনতাৰ পৰিচয় দিওঁ। বনভোজৰ আনন্দ উচ্ছাসৰ মাজেৰে নতুন বছৰটোক আদৰণি জনোৱাৰ পিছত এই দিনটো আমাৰ বাবে এক স্মৃতিৰে ভৰা সোঁৱৰণি পূৰ্ণ দিন হৈ পৰে, কিন্তু আমাৰ দায়িত্বজ্ঞানহীনতাৰ বাবে বহু অঘটন ঘটি ইয়াৰ বেয়া ফল বহুদিনলৈ, কেতিয়াবা আনকি বহু অনিষ্টময় হৈ বছৰ বছৰ ধৰি ৰৈ যায়। এই আনন্দৰ সময়ত কেতিয়াবা সৃষ্টি হোৱা উচ্ছৃংখল পৰিস্থিতিয়ে বনভোজৰ সুন্দৰ পৰিৱেশক বিপথে পৰিচালিত কৰা দেখা পোৱা যায়।

উদাহৰণস্বৰূপে বনভোজৰ সময়ত খোৱা-বস্তু ৰন্ধা বঢ়া কৰোঁতে আমি বহুতেই পেলনীয়া সামগ্ৰী বিশেষকৈ বটল, প্লাষ্টিকৰ বেগ আদি সেই ঠাইতেই পেলাই থৈ আহোঁ। এনেদৰে সিঁচৰিত কৰি এৰি অহা জাবৰ-জোঁথৰবোৰে ঠাইখনৰ সৌন্দৰ্য্য আৰু শুদ্ধতা শেষ কৰি পেলায়। পিছত অহা অন্য এটা দলে সেই বিশেষ ঠাইখিনি লেতেৰা দেখি দিগ্ধাবোধ অনুভৱ কৰি ওচৰৰে অন্য এক ঠাইত বনভোজৰ বাবে আগবাঢ়ি যোৱা পৰিলক্ষিত হয়। এনেদৰে প্ৰকৃতিৰ যিবোৰ স্থানৰ নৈসৰ্গিক শোভাৰ বাবে আমি বনভোজ খাবলৈ যাওঁ, যদি পৰিৱেশ ক্ৰমে এৰি অহাৰ পৰত সেই ঠাইবোৰ আনৰ বাবে বৰ্জনীয় হৈ পৰেগৈ, তেন্তে এইটো আমৰ বাবে এটি বৰ দুখদায়ক পৰিস্থিতিৰ কথা বুলি ক'ব লাগিব। লগতে পৰিৱেশৰ শুদ্ধতা আৰু সৌন্দৰ্য ধ্বংস কৰি দিয়াৰ কথাটো উচিত বুলি নাভাবো। আমি সেই ঠাইবোৰৰ জীৱ-জন্তু আৰু প্ৰাকৃতিক পৰিৱেশৰ ক্ষেত্ৰত কৰা ক্ষতিয়ে ভৱিষ্যতে পৰিবেশৰ আৰু জীৱ-জন্তুৰ অকল্পনীয় ক্ষতি সাধন কৰিব।

বনভোজ স্থানত এই বিভিন্ন উচ্ছৃংখলতাৰ কাৰণসমূহ বিশ্লেষণ কৰিলে দেখা পোৱা যায় যে

১) দলগত সু-শৃংখলাৰ অভাৱ

এক দলগতভাৱে যোৱা বনভোজৰ দ'লত সদায় দলগত সু-শৃংখলা ৰখাটো অতি প্ৰয়োজন। কিন্তু বহু সময়ত বনভোজকাৰীৰ মাজত সঠিক শুদ্ধ নেতৃত্বৰ অভাৱৰ ফলত সঠিক ব্যৱস্থা লোৱা দেখা পোৱা নাযায়। দলগত সুন্দৰ ভাৱৰ কথা এৰি ব্যক্তিগত ইচ্ছা পূৰণ, কিছুমান কু-অভ্যাস আদিৰ বাবে কেতিয়াবা উচ্ছৃংখল পৰিস্থিতিৰ সৃষ্টি হয়। ফলত আন দল বা পৰিয়ালৰ আনন্দ ক্ষুণ্ণ হয়। উচ্চশব্দ, অপৰিষ্কাৰ মূলক ব্যৱস্থা আৰু অপ্ৰত্যাশিত ঘটনা আদি পৰিস্থিতিয়ে শুদ্ধ সুন্দৰ পৰিৱেশ অধিক সংকটময় কৰি তোলা দেখা যায়।

২। অতিমাত্ৰা শব্দৰ সংযোজনেৰে সংগীত পৰিৱেশন

আজিৰ আধুনিক পৰিৱেশত সচৰাচৰভাৱে দেখা পোৱা অধিক জোৰে সঙ্গীত বজোৱা অথবা হৈ-চৈ কৰা কাৰ্য্য অন্য গোট বা স্থানীয় লোকসকলৰ অসুবিধাৰ কাৰণ হৈ পৰে। ইমানেই নহয়, ই প্ৰাকৃতিক পৰিৱেশতো ব্যাঘাত সৃষ্টি কৰা দেখা যায়। শব্দ প্ৰদূষণৰ সৃষ্টি কৰা দেখা পোৱা যায়।

৩। নিচাজাতীয় দ্ৰব্যৰ প্ৰভাৱ

কিছুমান ব্যক্তিয়ে বনভোজৰ আনন্দক নিচাজাতীয় দ্ৰব্যৰ সৈতে সংযুক্ত কৰি উপভোগ কৰিবলৈ বিচাৰে। ইয়াৰ ফলত তেওঁলোকৰ চৰিত্ৰ আৰু শুদ্ধ ব্যৱহাৰ লৈ ৰূঢ়তা আহে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হৈ যায়। কেতিয়াবা এনেকুৱা পৰিস্থিতিয়ে হিংসাৰ সৃষ্টিও কৰা পৰিলক্ষিত হয়। বহু সময়ত এই নিচাজাতীয় দ্ৰব্যৰ ব্যৱহাৰৰ বাবে বনভোজৰ দল দুৰ্ঘটনাত পতিত হোৱা দেখা পোৱা যায়।

৩। পৰিৱেশৰ সৌন্দৰ্য বৰ্তি ৰখাৰ জ্ঞান নথকা

বনভোজৰ সময়ত খাদ্যৰ অৱশিষ্ট আৰু প্লাষ্টিক জাতীয় সামগ্ৰী আদি পেলাই পৰিৱেশৰ সৌন্দৰ্য ধ্বংস কৰাটো এক গুৰুত্বপূৰ্ণ সমস্যা। কেতিয়াবা কোনো লোকে উঠি অহা গছ আদি কাটি পেলোৱা কাৰ্য্যৰো পৰিলক্ষিত হয়। বনভোজৰ স্থানত বনাঞ্চলৰ ক্ষতি বা সৌন্দৰ্য হ্ৰাস কৰাৰ লগতে পৰিৱেশৰ ওপৰত প্ৰত্যক্ষভাৱে বহু হানি কৰে। এনেধৰণৰ কাৰ্য্যকো উচ্ছৃংখল বুলিব পাৰি।

৪। ধৰ্মীয় বা সামাজিক অনুষ্ঠানৰ স্থলীত সাৱধানতা

সাধাৰণতে কোনো সামাজিক অনুষ্ঠান বা ধৰ্মীয় পৰিৱেশত বনভোজৰ স্থান নিৰ্বাচিত কৰিলে বহু সাৱধানতা অৱলম্বন কৰিব লাগে। এনে পৰিচিত স্থানসমূহত অধিক সংখ্যক লোক নিয়ম শৃংখলাৰে সমাগম নোহোৱাৰ ফলত পৰিস্থিতি অধিক বিশৃংখল হৈ পৰাৰ সম্ভাৱনা থাকে। বহু সময়ত, এনে পৰিস্থিতিয়ে স্থানীয় সম্প্ৰদায়ৰ মাজত মনোমালিন্যৰ সৃষ্টি কৰে।

**শেষান্তৰৰ একলম**

আজিৰ সময় থাকোঁতেই সচেতন মহলে এই উচ্ছৃংখলতাৰ বিৰুদ্ধে সঠিক পদক্ষেপ নল'লে অদূৰ ভৱিষ্যতে প্ৰীতি ভৰা বনভোজ অপসংস্কৃতিৰ কাৰণ হৈ পৰিব পাৰে। সাধাৰণ লোকসকলে বনভোজ আনন্দৰ পৰিৱৰ্তে দুশ্চিন্তাৰ কাৰণ বুলি ভাবিবলৈ আৰম্ভ কৰিবলগীয়া হ'ব। প্ৰকৃতিৰ পৰিস্কাৰ-পৰিচ্ছন্ন বনভোজ স্থানসমূহ উচ্ছৃংখলাৰ বাবে অপৰিষ্কাৰ হৈ পৰিব। ভৱিষ্যতলৈ উদ্ভিদ, জীৱ-জন্তু আৰু সুন্দৰ পৰিৱেশৰ ওপৰত অত্যন্ত বেয়া আৰু ক্ষতিগ্ৰস্ত প্ৰভাৱ পৰিব।

বিশেষকৈ দলগত ভাৱে অহা বনভোজৰ কাৰ্যসূচীত যিসকলে নেতৃত্ব বহন কৰে তেওঁলোকৰ ভূমিকা অতিমূল্য। দায়িত্বশীল নেতৃত্বৰে দলটোক সুসংগঠিত কৰি শৃঙ্খলা অৱলম্বন কৰিবলৈ সক্ষম কৰি তুলিব লাগে। পৰিৱেশৰ প্ৰতি সন্মান দেখুৱাই আৰু আনসকলৰ অধিকাৰ সুৰক্ষিত কৰি বনভোজৰ উদ্দেশ্য সুখময় আৰু সফল কৰাৰ দায়িত্ব বহন কৰি চলিব লাগে। বনভোজ এক সামাজিক প্ৰক্ৰিয়া ৰূপে গঢ় দিব লাগে, যিয়ে পৰিৱেশ আৰু সমাজৰ এক উন্নত দৃষ্টান্ত ৰূপে স্থাপন কৰিব।

বনভোজৰ সময়ত পৰিৱেশ সংৰক্ষণ, শব্দ নিয়ন্ত্ৰণ আৰু শৃংখলাৰ প্ৰয়োজনীয়তাৰ বিষয়ে লোকসকলক সজাগ কৰি তুলিব লাগে। এই উদ্দেশ্য আগত ৰাখি স্থানীয় সংগঠন বা প্ৰশাসনে জনচেতনতা বৃদ্ধিৰ কাৰ্যসূচীৰ আয়োজন কৰিব লাগে।

স্থানীয় বনাঞ্চল বা বনভোজৰ স্থানত প্ৰশাসনে কঠোৰ নিয়ম-নীতি প্ৰয়োগ কৰিব লাগে। যাতে আবৰ্জনা নিষ্কাষণৰ সু-ব্যৱস্থা স্থাপন কৰা হয়।

বনভোজৰ অন্তত সকলোৱে দায়িত্ব যে উক্ত স্থলীত জাবৰ-জোঁথৰ সম্পূৰ্ণ পৰিস্কাৰ কৰি যাব লাগে। পচনশীল আৰু অপচনশীল সামগ্ৰীৰ পৃথকীকৰণ নিশ্চিত কৰি ল'ব লাগে যাতে পৰিৱেশৰ অনিষ্ট নহয়।

# যোৰহাট জিলা কবি সন্মিলনৰ কাব্য সুৰভি অনুষ্ঠানত

## নবীন কবি মুকতাৰ আলীৰ কাব্যগ্ৰন্থ 'এপাচি সৰাপাত' উন্মোচন



**যোৰহাট ঃ** যোৱা ৭ ডিচেম্বৰ, ২০২৫ তাৰিখে যোৰহাটৰ মেলেংস্থিত সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয় সাহিত্যপ্ৰাণ ড° কুতুবুদ্দিন আহমেদ ভৱনত যোৰহাট জিলা কবি সন্মিলনৰ উদ্যোগত আয়োজিত এক বিশেষ অনুষ্ঠানত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ তথা নবীন যুৱ কবি মুকতাৰ আলীৰ তৃতীয়খন কাব্যগ্ৰন্থ এপাচি সৰাপাত উন্মোচন কৰা হয়। বিশিষ্ট কবি উজ্বল পাওগামদেৱ আৰু আবৃত্তিৰত্ন শান্তিছায়াই আঁতধৰা অনুষ্ঠানটিত উজ্বল পাওগামদেৱে গ্ৰন্থ উন্মোচনী অনুষ্ঠানটো পৰিচালনা কৰে। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাহিত্যি সমালোচক, জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মানিক শইকীয়াদেৱে। উন্মোচনীৰ একাষাৰত শইকীয়াদেৱে গ্ৰন্থত লেখকৰ মেধা আৰু অনুভৱৰ প্ৰভাৱৰ কথা ব্যক্ত কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বিশেষভাৱে নিমন্ত্ৰণ জনোৱা হয় যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ শ্ৰীযুত অতুল শৰ্মাদেৱক। উল্লেখযোগ্য যে উক্ত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত সুদূৰ কোকৰাঝাৰৰ পৰা আহি মুকতাৰ আলীৰ পিতৃ শ্ৰী কদম আলী আৰু মাতৃ খতেজা বিবি অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত সদৌ অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক চৈয়দ পাৰভিজ হুচেইন ডাঙৰীয়া, যোৰহাট জিলা কবি সন্মিলনৰ সম্পাদক দেৱজিত গোস্বামীৰ লগতে যোৰহাট মহানগৰ শাখা কবি সন্মিলনকে আদি কৰি নকছাৰি, টীয়ক, কাকজান, মৰিয়ণি, তিতাবৰ, বৰহোলা, পশ্চিম যোৰহাট, বালিগাঁৱৰ মণিকাঞ্চন, উঃপঃযোৰহাটৰ দুকুৰিৰো অধিক কবি উপস্থিত থাকি অনুষ্ঠানভাগ সাফল্যমণ্ডিত কৰি তোলে।

# কৰৈয়নীত ৰাস মহোৎসৱ, গুৰুজনাৰ 'কেলিগোপাল' নাট মঞ্চস্থ



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ উৰিয়া গাঁৱৰ নিকটৱৰ্তী কৰৈয়ণি হেঙুলী চুক গাঁৱৰ বৰনামঘৰত যোৱা ৬ ডিচেম্বৰত নিশা শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হৈ যায়। কৰৈয়ণি হেঙুলী চুক গাঁৱৰ ৰাইজ আৰু যুৱক-যুৱতী সকলৰ ব্যৱস্থাপনাত আয়োজিত ৰাস মহোৎসৱত পুৱা ঊষা কীৰ্তন, ধৰ্মধ্বজা উত্তোলন, ভাগৱত ভ্ৰমণ আৰু নাম প্ৰসংগ অনুষ্ঠিত হয়। ইয়াৰ পাছতেই সন্ধ্যা বৰ নামঘৰৰ সন্মুখত অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলনে কৰে গাঁৱৰে জ্যেষ্ঠ ব্যক্তি পুতুল বৰায়ে। ইয়াৰ পিছতেই কেইবাশতাধিক ৰাইজে মৰমৰ শিল্পীজনৰ মায়াবিনী ৰাতিৰ বুকুত গীতটো পৰিৱেশন কৰে। অনুষ্ঠানত বিশিষ্ট বায়ন সঞ্জীৱ বৰাৰ নেতৃত্বত আগবঢ়াই নিয়া গায়ন-বায়নত অংশগ্ৰহণ কৰি কেইবাটাও শিশুয়ে খোল তাল বজাই প্ৰতিভা প্ৰদৰ্শন কৰে। কৰৈয়ণি হেঙুলী চুক গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা পিছতে লোকে লোকাৰণ্য হৈ থকা বৰনামঘৰত নিশা ১.৩০ মিনিটলৈ শৃংখলা বজাই কেলিগোপাল নাটখনি মঞ্চস্থ কৰা হয়। নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে এই শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ। বিধায়ক শৰ্মাৰ লগতে সমাজ কৰ্মী সুৰেশ বৰা, নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলী হাজৰিকা আৰু পলাশনী-তেলিয়া পহুকটা গাঁও পঞ্চায়তৰ সভাপতি বিদ্যুৎ বৰাই বৰনামঘৰত উপস্থিত হৈ ৰাইজৰ আশীষ নিৰ্মালী গ্ৰহণ কৰে। স্থানীয় যুৱক বৃন্দ আৰু ১০ গৰাকী নিমন্ত্ৰিত যুৱকে গোপীৰ সুন্দৰ নৃত্য পৰিৱেশন কৰি উপস্থিত ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। উক্ত ৰাস ভাগত শ্ৰীকৃষ্ণৰ সুন্দৰ নৃত্য, ময়ুৰৰ লয়লাস, ৰাধাৰ নৃত্য আৰু শঙ্খচূড়ৰ অভিনয়ে মোহিত কৰে উপস্থিত প্ৰতিজন দৰ্শকক। উল্লেখ্য যে, উক্ত ৰাস ভাগত শংকৰ জ্যোতি শইকীয়াই কৃষ্ণ, ৰাহুল কলিতাই ৰাধা, মৃণাল বৰাই মোহিনী, নিবিৰ বৰাই পুতনা আৰু শংখচুড়ৰ ভাওত দেৱাশীষ কোচ ৰাজবংশীয়ে অভিনয় কৰে।

# নগাঁৱত ১৩ টা পথৰ আধাৰশিলা স্থাপন

## বি.জে.পি নেতৃত্বাধীন চৰকাৰখনে উন্নয়নৰ ৰাজনীতি কৰিছে ঃ ৰূপক শৰ্মা



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি আৰু পথ নবীকৰণ আঁচনিৰ অধীনত নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত উৰিয়া গাঁও পঞ্চায়ত, ভোটাইপাঠৰী, শিঙিয়া পোটনি, কাটনী গাঁও পঞ্চায়তৰ অধীনৰ বিভিন্ন স্থানত নতুনকৈ নিৰ্মাণ হ'বলগীয়া ১৩ টাকৈ পথৰ যোৱা ৮ ডিচেম্বৰত আধাৰশিলা স্থাপন কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ পুঁজিৰে নিৰ্মাণ হ'ব লগা পথ সমূহ হৈছে ক্ৰমে চকৰিগাঁৱৰ পৰা পাঠৰী সংযোগী পথ, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিজপাঠৰী পৰা মাজপাঠৰী সংযোগী পথ, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজ পাঠৰী বুঢ়াচুক পথৰ পৰা ভোটাইগাঁও সংযোগী পথ, মাজপাঠৰী শিঙিয়া চুক সংযোগী পথ, সোণাৰী গাঁৱৰ পৰা অৰ্জুনতল সংযোগী পথ, অৰ্জুনতলৰ ৩৬ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা গায়নগাঁও সংযোগী পথ, বিৰহীগাঁও নামঘৰৰ পৰা পোটনী হাতীগাঁও সংযোগী পথ, নৰৈ আৰু চুতীয়া গাঁও সংযোগী (জিলা মুখ্য পথ)ৰ উন্নীতকৰণ, মাজগাঁও স্বাস্থ্য কেন্দ্ৰৰ পৰা মাজ উৰিয়াগাঁও সংযোগী পথ, মাজগাঁৱৰ পৰা উৰিয়াগাঁও ৰে'ল গেট সংযোগী পথ, মাজগাঁৱৰ পৰা ভোটাইগাঁও সংযোগী পথ, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পোটনী সংযোগী পথ, ভোটাইগাঁৱৰ পৰা পাঠৰি ভোটাইগাঁও গড়কাপ্তানী সংযোগী পথ। আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকি বিধায়ক ৰূপক শৰ্মাই কয় - লোক নিৰ্মাণ বিভাগৰ জৰিয়তে গ্ৰামাঞ্চলৰ জৰাজীৰ্ণ পথ সমূহ পুনৰ নিৰ্মাণ কৰিবলৈ এনে আঁচনি গ্ৰহণ কৰা হৈছে। পথসমূহৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পিছত যাতায়তৰ ক্ষেত্ৰত স্থানীয় জনসাধাৰণৰ যথেষ্ট উপকৃত হ'ব। অনুষ্ঠানৰ অন্তত সাংবাদিকৰে হোৱা কথা বতৰাত বিধায়ক শৰ্মাই কয়- নিৰ্বাচনৰ সমাগত হোৱাৰ বাবে পথৰ আধাৰশিলা ৰাজনীতি কৰা বুলি হয়তো কোনোবাই ভাবিব পাৰে। কিন্তু তেনেদৰে ভবাটো ভুল যে বি.জে.পি নেতৃত্বাধীন চৰকাৰখনে উন্নয়নৰ ৰাজনীতি কৰিছে। এই উন্নয়নৰ ধাৰা অব্যাহত থাকিব। বিধায়ক শৰ্মাই আধাৰশিলা স্থাপন কৰা পথসমূহৰ কাম নতুন বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰে। ইপিনে ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে লুৰিণ জ্যোতি গগৈক মিএগ সমষ্টিৰ পৰা নিৰ্বাচন খেলিবৰ বাবে অফাৰ দিয়া সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নোত্তৰত বিধায়ক ৰূপক শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়-তেওঁলোকৰ ভোট বেংক ক'ত আছে সেয়া বদৰুদ্দিন আজমলেও জানে। বিগত লোকসভা নিৰ্বাচনত ধুবুৰীৰ সাংসদ গৰাকীক জয়ী কৰোৱাৰ ক্ষেত্ৰত অখিল গগৈৰ যথেষ্ট অৰিহণা আছে। তেওঁ নিৰ্বাচনত ভোটাৰ ৰাইজক যি ধৰণে শপত খুৱাইছিল। যি ধৰণে সমষ্টিটোত ভোটৰ কাৰণে প্ৰচাৰ কৰিছিল। তাৰ এটা প্ৰভাৱ নিৰ্বাচনত পৰা বুলি সকলোৱে জানে। গতিকে সংখ্যালঘু এলেকাত অখিল গগৈৰ জনপ্ৰিয়তা যথেষ্ট বেছি। অখিল গগৈয়ে কথায়ে কওক, লুৰিণ জ্যোতি গগৈৰ কথাই কওক, দুয়োজনৰে সংখ্যালঘু সম্প্ৰদায়ৰ এলেকাত যথেষ্ট জনপ্ৰিয়তা আছে। আমিও বিচাৰো তেওঁলোকে সেইধৰণৰ ঠাইতেই নিৰ্বাচন খেলক। ভালকৈ জিকি আহিব পাৰে। এইবাৰ শিৱসাগৰ সমষ্টিৰ পৰা অখিল গগৈ জিকিব নোৱাৰে। সেইধৰণৰ সমষ্টি উজনিতে হওক বা নামনিতেই হওক। বিশেষকৈ য'ত হিন্দুপ্ৰধান ঠাই। তেনেকুৱা স্থানৰ পৰা তেওঁলোকে নিৰ্বাচন জিকাটো সম্ভৱ নহ'ব। গতিকে তেওঁলোকৰ বাবে উচিত হ'ব, সংখ্যালঘু এলেকাৰ পৰাই নিৰ্বাচন খেলা। আধাৰশিলা স্থাপন অনুষ্ঠানত নগাঁও জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, ভোটাই পাঠৰী জিলা পৰিষদৰ সদস্যা স্বপ্নালী চাংকাকতি, লোকনিৰ্মাণ বিভাৰ্গৰ কাৰ্যবাহী অভিযন্তা মৃণাল বৰা, সহকাৰী কাৰ্যবাহী অভিযন্তা বীৰেন্দ্ৰ দাসকে ধৰি দলীয় নেতা-কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখযোগ্য যে, বিগত তিনিটা দিনত নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত বিধায়ক ৰূপক শৰ্মাই ৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা ৫৩ টা পথৰ আধাৰশিলা স্থাপন কৰে।

# বোকাখাত জিলা ক্ৰীড়া সন্থাৰ সভাপতিৰূপে নিৰ্বাচিত মন্ত্ৰী অতুল বৰা




**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** বোকাখাত ক্ৰীড়া সন্থাৰ ৭ ডিচেম্বৰত অনুষ্ঠিত সাধাৰণ সভাত বোকাখাতৰ বিধায়ক, কেবিনেট মন্ত্ৰী অতুল বৰাক পুনৰ সভাপতি পদত অধিষ্ঠিত কৰা হৈছে। পূৰ্বৰ কাৰ্যকালতো সভাপতিৰ দায়িত্বত থকা বৰাই বোকাখাতৰ ক্ৰীড়া ক্ষেত্ৰত যথেষ্ট উন্নয়নমূলক কাম কৰিছিল। বোকাখাতৰ ক্ৰীড়া ক্ষেত্ৰখনক নতুন ৰূপত গঢ়ি তুলি ক্ৰীড়া প্ৰতিভাসমূহৰ বিকাশৰ বাবে বোকাখাত জিলা ক্ৰীড়া সন্থাই নিষ্ঠাৰে প্ৰয়াস কৰি আহিছে। বোকাখাতত অনুষ্ঠিত বোকাখাত জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সভাখনত সন্থাৰ বিষয়ববীয়াসকলৰ সৈতে অংশ লয় মন্ত্ৰী বৰায়। সভাত জিলা ক্ৰীড়া সন্থাৰ নতুন সমিতি গঠনখন গঠন কৰা হয়। সম্পাদকৰূপে পুনৰ অধিষ্ঠিত হয় সঞ্জীৱ শইকীয়া। নতুনকৈ দায়িত্ব লাভ কৰা জিলা ক্ৰীড়া সন্থাৰ প্ৰতিগৰাকী বিষয়ববীয়াক আমাৰ তৰফৰপৰা আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰো। লগতে বোকাখাতৰ ক্ৰীড়া খণ্ডৰ সৰ্বাংগীণ উত্তৰণৰ প্ৰতি লক্ষ্য ৰাখি সকলোকে নিষ্ঠাৰে সেৱা অব্যাহত ৰখাৰ আশ্বাস দিয়ে বিধায়ক তথা মন্ত্ৰী অতুল বৰাই।

# উষানগৰী তেজপুৰত মহাজাতি টুৱেন্টি ফ'ৰ লাইভৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানত যুব সাংবাদিক চন্দন শৰ্মাক বঁটা প্ৰদান



**তেজপুৰ ঃ** মহাজাতি কাকতৰ প্ৰতিস্থাপক প্ৰয়াত ড° পূৰ্ণনাৰায়ণ সিংহই ১৯৬৪ চনত মহাজাতি কাকতখন উষানগৰী তেজপুৰৰ পৰা প্ৰকাশ কৰিছিল। বৰ্তমান মহাজাতি কাকতখনৰ পৰা বিগত ২০২৪ বৰ্ষত প্ৰয়াত সিংহ দেৱৰ কনিষ্ঠ পুত্ৰ ড° পৰশমনি সিংহই বহু কষ্টৰে মহাজাতি টুৱেন্টি ফ'ৰ লাইভ নামেৰে এটি ডিজিটেল মিডিয়ালৈ ৰূপান্তৰ কৰে। সোমবাৰে শোণিতপুৰ জিলাৰ তেজপুৰৰ গাৰোৱান পট্টিস্থিত হোটেল ভিষ্টাত প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান উপলক্ষে দিনযোৰা বিস্তৃত কাৰ্যসূচীৰে বিশেষ সম্বৰ্ধনা আৰু বিভিন্ন দিশত জড়িত বিশিষ্ট ব্যক্তিসকলক বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰে। তেজপুৰৰ বিশেষ ঘোষিকা ধৰিত্ৰী শ্ৰাৱনে আঁত ধৰা অনুষ্ঠানৰ প্ৰথমে বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰি এগছি বন্তী প্ৰজ্বলনৰে মূল সভাৰ শুভাৰম্ভ কৰে মহাজাতি চাৰ্ভিচ টাষ্টৰ অধ্যক্ষা ৰঞ্জিতা সিংহ দত্তই। মূল সভাৰ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সুযোগ্য সন্তান তথা বিশিষ্ট গীতিকাৰ, সুৰকাৰ, সমাজকৰ্মী হেমৰাজ ৰাভাই। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে মহাজাতি টুৱেন্টি ফ'ৰ লাইভৰ উপদেষ্টা ভোলা বৰাই। মহাজাতিৰ বিষয়ে বিশেষ আলোকপাত কৰে মহাজাতি চাৰ্ভিচ টাষ্টৰ অধ্যক্ষা ৰঞ্জিতা সিংহ দত্ত, মুখ্য অতিথি হেমৰাজ ৰাভা, উপদেষ্টা ভোলা বৰা, বিশিষ্ট সাংবাদিক অৰূপ কলিতাৰ লগতে বহু গণ্যমান্য ব্যক্তিয়ে। অনুষ্ঠানত সুন্দৰ কবিতা আবৃত্তি কৰে মুখ্য সম্পাদিকা মনিষা বৰা সিংহ, যুৱ কবি অপূৰ্ব জোনাকে। তাৰপিছতেই বিভিন্ন দিশত সমাজৰ হকে কাম কৰা বহু বিশিষ্ট ব্যক্তিসকলৰ লগতে শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ ৰঙাচকুৱা অঞ্চল নিৱাসী চন্দন শৰ্মাক যুব সাংবাদিকতাৰ বঁটা প্ৰদান কৰে মহাজাতি গোষ্ঠীৰ তৰফৰ পৰা। বিগত ২০১৫ বৰ্ষৰ পৰা ফটোগ্ৰাফী মাধ্যমৰে যাত্ৰা আৰম্ভ কৰা চন্দন শৰ্মাই ২০১৭ বৰ্ষত সাংবাদিকতাৰ মাধ্যমত খোজ পেলায়। সাংবাদিকতাৰ দৰে পৱিত্ৰ বৃত্তিত বহু কষ্ট, ধৈৰ্য-ত্যাগ, সমালোচনাকো নেওচি যুৱ সাংবাদিক চন্দন শৰ্মাই নিজৰ সুপ্ত প্ৰতিভাৰ জৰিয়তে সংবাদ মাধ্যমত নিৰলহ প্ৰচেষ্টাৰে শোণিতপুৰ জিলাৰ লগতে বিভিন্ন প্ৰান্ততো বাতৰি পৰিৱেশন কৰি ৰাইজৰ মাজত এক আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হয়। সেইবাবেই অতি কম সময়ৰ ভিতৰতে বিগত ২০২১ বৰ্ষত গুৱাহাটীত মুক্ত কবি কণ্ঠ সংবাদ সেৱা বঁটা, গুৱাহাটী প্ৰেছ ক্লাৱত ২০২২ আৰু ২০২৩ বৰ্ষত সক্ৰিয় সাংবাদিকতাৰ বঁটা, ২০২৫ বৰ্ষত সংবাদ প্ৰহৰী বঁটা যোৰহাটত প্ৰদান কৰাৰ উপৰিও অহা ৩০ ডিচেম্বৰত ঐতিহাসিক শিৱসাগৰত ২০২৫ বৰ্ষৰ সংবাদ সৌৰভ বঁটা প্ৰদান কৰাৰ কথাও ঘোষণা কৰে।

# সদৌ অসম দেৱদামোদৰ সংঘৰ ২০২৫-২০২৭ বৰ্ষৰ তৃতীয়খন কাৰ্যনিৰ্বাহক সভা



**ৰমেন ভৰালী, বংশৰ ঃ** সদৌ অসম দেৱদামোদৰ সংঘৰ ২০২৫-২০২৭ বৰ্ষৰ তৃতীয়খন কাৰ্যনিৰ্বাহক সভা যোৱা ৭ ডিচেম্বৰত নলবাৰী জিলাৰ অন্তৰ্গত পাণ্ডুলা সত্ৰত সংঘৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰামচৰণ ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত হয়। পুৱা প্ৰথমে শ্ৰীশ্ৰীদেৱদামোদৰ দেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদানৰ লগতে গুৰু বন্দনাৰে সভাৰ আনুষ্ঠানিকতাৰ পিছত প্ৰধান সম্পাদক মনোৰঞ্জন গোস্বামীয়ে বিগত কাৰ্যকৰী সভাৰ প্ৰতিবেদন পাঠ কৰে আৰু সৰ্বসন্মতিক্ৰমে সভাই গৃহীত কৰে। কাৰ্যকৰী সভাত অসমীয়া গদ্য সাহিত্যৰ জনক শ্ৰীশ্ৰী বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য দেৱৰ তিৰোভাৱ তিথি উপলক্ষে কথা সাহিত্য দিবস উদ্‌যাপন কৰিবলৈ অহা ৯ জানুৱাৰী, ২০২৬ খৃষ্টাব্দত মালয়বাৰীৰ দামোদৰদেৱ জাতীয় বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাৰ্যকৰী সভাত পৰ্যায়ক্ৰমে ১ আৰু ২ ফেব্ৰুৱাৰী, ২০২৬ খৃষ্টাব্দত বছৰেকীয়া অধিৱেশন জাগীৰোডৰ সমীপৰ বহাবৰজাৰীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অহা ২৭ ফেব্ৰুৱাৰী, ২০২৫ খৃষ্টাব্দত দিনযোৰা কাৰ্যসূচীৰে বাক্সা জিলাৰ অন্তৰ্গত ভূএগ পাৰাত শ্ৰী শ্ৰী দেৱদামোদৰ দেৱৰ আবিৰ্ভাৱ তিথি কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লোৱা হয়। বিভিন্ন জিলা, আঞ্চলিক, শাখাৰ পৰা লগতে কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া যথাক্ৰমে নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, ধ্ৰুৱ কুমাৰ পাঠক, সুনীল কুমাৰ গোস্বামী, হিৰন্ময় গোস্বামী, ধীৰেন্দ্ৰ নাথ শৰ্মা, ফটিক বৈশ্য, অঞ্জলি গোস্বামী, কমলাকান্ত কলিতা, জনাৰ্ধন মেধী, দীপক গোস্বামী, কনকেশ্বৰ গোস্বামী, বসন্ত কুমাৰ লহকৰ আদি সদস্যসকলে সাংগঠনিক দিশ আৰু পুঁজিৰ ওপৰত আলোচনা কৰি সৰ্বসন্মতিক্ৰমে ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰা হয়। সংঘৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰামচৰণ ভৰালী দেৱৰ মন্তব্য আৰু সভাৰ শেষত নলবাৰী জিলাৰ সভাপতি জীতেন্দ্ৰ নাথ ডেকাই শলাগৰ শৰাই আগবঢ়ায়।




Janasanyog RO no 3426/25/12-December-25

# পশ্চিম ৰামছাৰাণী হাইস্কুল, ভট্টাপাৰাত শ্ৰীধানধন শক্তি মহিলা সমিতি, গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীক চুৱেটাৰ প্ৰদান



**ৰমেন ভৰালী, বংশৰ ঃ** "শ্ৰীধানধন শক্তি মহিলা সমিতি, গুৱাহাটী"ৰ উদ্যোগত যোৱা এক ডিচেম্বৰত পশ্চিম ৰামছাৰাণী হাইস্কুলত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ১৫ গৰাকী সমিতিৰ মহিলা সদস্যই বিদ্যালয় চৌহদত উপস্থিত হৈ প্ৰায় ২০০টা চুৱেটাৰ আৰু প্ৰায় ২৫০ পেকেট মিঠাই আৰু জলপান মৰমেৰে ছাত্ৰ-ছাত্ৰীক বিতৰণ কৰে।

মাৰোৱাৰী সম্প্ৰদায়ৰ এক বিশেষ শ্ৰেণীৰ পূজনীয় কুলদেৱী শ্ৰীধানধনৱালি দাদীজীৰ প্ৰতি ভক্তিৰে স্থাপিত এই সমিতিখনে সৎসংগ, সেৱা আৰু সামাজিক উত্থানক নিজৰ পবিত্ৰ উদ্দেশ্য বুলি গণ্য কৰে। শিশুৰ মংগলৰ প্ৰতি অতিশয় চিন্তাৰে এই মাতৃত্ববোধেৰ মহিলাসকলে বিশেষকৈ লুধিয়ানাৰ পৰা উচ্চমানৰ চুৱেটাৰ ক্ৰয় কৰি ছাত্ৰ-ছাত্ৰীৰ শীত নিবাৰণৰ বাবে কৰাটো নিশ্চিত কৰিছিল। ইয়াৰ দ্বাৰা কেৱল বিতৰণৰ প্ৰতি নহয়, গুণগত মান আৰু মৰ্যাদাৰ প্ৰতি তেওঁলোকৰ গভীৰ দায়বদ্ধতা স্পষ্টভাৱে প্ৰতিফলিত হয়। প্ৰেৰণাদায়ক আৰু আৱেগিক ভাষণত সমিতিৰ মুখ্য সমন্বয়ক সৰোজ দেৱী বাজাজে প্ৰকাশ কৰি কয় যে অসম আমাৰ বাবে কেৱল এখন ৰাজ্য নহয় - ই আমাৰ কৰ্মভূমি। প্ৰায় তিনিশ বছৰ আগতে এই ভূমিয়ে আমাৰ পূৰ্বপুৰুষক ঘৰ, জীৱিকা, শ্ৰদ্ধা, অপৰিসীম স্নেহ দিছিল। আমি এই কৃতজ্ঞতা গভীৰ শ্ৰদ্ধাৰে হৃদয়ত কঢ়িয়াই লৈ ফুৰো। তেখেতৰ ভাষণে উপস্থিত প্ৰতিজন ব্যক্তিৰ হৃদয় চুই গৈছিল আৰু ভক্তি আৰু কৃতজ্ঞতাৰে ভৰা এক পৰিৱেশৰ সৃষ্টি কৰিছিল। কমিটীয়ে এই নীতিত দৃঢ়ভাৱে বিশ্বাস কৰে যে মানৱতাৰ সেৱা কৰাটোৱেই হৈছে ঈশ্বৰৰ সেৱা কৰা। এই উদাৰ কাৰ্যই এই পবিত্ৰ দৰ্শনক সুন্দৰ আৰু অৰ্থপূৰ্ণভাৱে প্ৰতিফলিত কৰিছিল। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে উপস্থাপন কৰা সাংস্কৃতিক অনুষ্ঠানটো আছিল সজীৱ আৰু আৱেগিক দুয়োটা দিশতে। অসমীয়া সাংস্কৃতিক পৰিৱেশনৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীয়ে হিন্দী গীত "হম হোংগে কামিয়াব এক দিন" শীৰ্ষক দেশপ্ৰেমমূলক গীতেৰে শিশুসকলক আশা, প্ৰেৰণা, আত্মবিশ্বাসেৰে ভৰাই তুলিছিল। আটাইতকৈ উল্লেখযোগ্য মুহূৰ্তটো আছিল এগৰাকী অসমীয়া ছোৱালীয়ে সম্পূৰ্ণ ৰাজস্থানী সাজ-পোছাক আৰু অভিব্যক্তিৰে পৰম্পৰাগত ৰাজস্থানী নৃত্য প্ৰদৰ্শন কৰাটো। দুটা সংস্কৃতিৰ এই আনন্দদায়ক সংযোজনে সঁচাকৈয়ে ভাৰতৰ আত্মাক প্ৰতিনিধিত্ব কৰিছিল -অনৈক্যৰ মাজত ঐক্য। সমিতিৰ সদস্যসকলক অসমীয়া পৰম্পৰাগত ফুলাম গামোচা আৰু জাপিৰে আদৰণি জনোৱা হয়। অসমীয়া খাদ্য সম্ভাৰ পিঠাকে ধৰি পৰম্পৰাগত অসমীয়া খাদ্যৰে আপ্যায়ন কৰাত মহিলাসকল আনন্দিত আৰু কৃতজ্ঞ হৈ পৰিছিল। বিদ্যালয়খনে শ্ৰীধানধন শক্তি মহিলা সমিতি, গুৱাহাটৰ সকলো সন্মানীয় মহিলালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। এই বিশেষ অনুষ্ঠানত বিদ্যালয়ে তেওঁলোকৰ উদাৰ সেৱাৰ স্বীকৃতি দি তেওঁলোকক প্ৰশংসাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰে। প্ৰমাণ-পত্ৰখনৰ মূল বাৰ্তাটোত কোৱা হৈছিল যে চুৱেটাৰ বিতৰণ কেৱল বস্তুগত দান নহয় বৰঞ্চ শীত নিবাৰণ, যত্ন আৰু উৎসাহৰ এক কাৰ্য আছিল, যিয়ে শিশুসকলৰ বাবে আনন্দ, নিৰাপত্তা আৰু আত্মবিশ্বাস কঢ়িয়াই আনিছিল-যিসকলৰ বহুতেই শীতকালীন কাপোৰ কিনিব নোৱাৰা পৰিয়ালৰ পৰা আহিছে। প্ৰমাণ-পত্ৰখনত মানৱীয় সেৱাৰ প্ৰতি সমিতিখনৰ দায়বদ্ধতাক প্ৰশংসা কৰি সমাজৰ বাবে এক প্ৰেৰণাদায়ক আদৰ্শ হিচাপে অভিহিত কৰা হৈছে। এই পদক্ষেপক অধিক ফলপ্ৰসূ আৰু প্ৰভাৱশালী কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বহুমূলীয়া সহায় আৰু সদিচ্ছাৰ বাবে মূলত নলবাৰীৰ বৰ্তমান মুম্বাইৰ স্থায়ী বাসিন্দা পৱন কুমাৰ বাজাজক বিদ্যালয়ে বিশেষ ধন্যবাদ জ্ঞাপন কৰে। এই সেৱাৰ কাৰ্য কেৱল চুৱেটাৰ বিতৰণ নহয় ই প্ৰেম, মাতৃত্ব, মানৱতা আৰু সামাজিক দায়বদ্ধতাৰ এক ঐশ্বৰিক বাৰ্তা, যিয়ে সমাজত সজাগতা, মমতা আৰু সদিচ্ছাৰ নিশ্চয়কৈ অনুপ্ৰাণিত কৰিব। সমগ্ৰ সমিতিৰ অবিৰত অগ্ৰগতি আৰু উজ্বল ভৱিষ্যতৰ বাবে বিদ্যালয়ৰ সমূহ পৰিয়ালৰ হৈ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক অশোক কুমাৰ কলিতাদেৱে শলাগ লয়।

# বটদ্ৰৱা থান পৰিচালনা সমিতিৰ দুৰ্নীতি-অনিয়মৰ তদন্তৰ বাবে গঠিত তদন্ত সমিতিৰ দ্বায়িত্বভাৰ গ্ৰহণ


**জয়ন্ত মুদৈ, নগাঁও ঃ** সমগ্ৰ ৰাজ্যত চৰ্চিত হোৱা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিগত সময়ছোৱাৰ দীৰ্ঘদিনীয়া দুৰ্নীতি আৰু অনিয়মৰ তদন্তৰ বাবে যোৱা ২ নৱেম্বৰত উচ্চন্যায়ালয়ৰ নিৰ্দেশনা অনুযায়ী নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ তৎপৰতাত তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰ গুপ্ত কাশ্যপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাত ছয়জনীয়া বিশেষ তদন্ত সমিতি গঠন কৰা হৈছিল। উক্ত সভাত এই সমিতিখনে আগন্তুক ছয়মাহৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেই অনুসৰি বিগত দিনত হোৱা বিত্তীয় খেলিমেলি, সোণ-ৰূপৰ কেলেংকাৰী আৰু অসাংবিধানিক কাৰ্যকলাপৰ তদন্তৰ বাবে গঠিত এই সমিতিখনে যোৱা বৃহস্পতিবাৰে দ্বায়িত্বভাৰ গ্ৰহণৰ লগতে প্ৰথমখন বৈঠক অনুষ্ঠিত কৰে। নগাঁও জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত সভাই ইতিমধ্যে নতুনকৈ গঠন হোৱা বটদ্ৰৱা থান পৰিচালনা সমিতিক অহা ১৫ দিনৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰ যোগান ধৰিবলৈ অনুৰোধ জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। বৈঠকত সৰ্বসন্মতিক্ৰমে নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত সুদীপ নাথক তদন্ত সমিতিৰ সভাপতি আৰু অতুল মহন্তক সদস্য সচিব হিচাপে দ্বায়িত্বভাৰ অৰ্পন কৰাৰ লগতে তদন্ত কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰিবলৈ অসম চৰকাৰৰ বিত্ত আৰু স্থানীয় হিচাপ পৰীক্ষণ সঞ্চালকালয়ৰ অধীনৰ নগাঁও জিলা কাৰ্যালয়ৰ দুগৰাকী জ্যেষ্ঠ হিচাপ পৰীক্ষক আৰু জিলা আয়ুক্ত কাৰ্যালয়ৰ দুগৰাকী কৰ্মচাৰীক সহায়ক হিচাপে অন্তৰ্ভুক্ত কৰা হয়। তদুপৰি বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বৰ্তমানৰ সাধাৰণ সম্পাদক লাচিত বৰদলৈক পদেন সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰো প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ঠিক সেইদৰে তদন্তৰ কাম-কাজ সম্পন্ন কৰিবলৈ বটদ্ৰৱা থান চৌহদৰ ভিতৰত থকা এটা আছুতীয়া কোঠা বিচাৰি অনুৰোধ কৰা হয়। উক্ত গাম্ভীৰ্যপূৰ্ণ সভাখনত তদন্ত সমিতিৰ সভাপতি তথা নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, সদস্য সচিব অতুল মহন্ত, ডাঃ প্ৰদীপ কুমাৰ দেৱ মহন্ত, তুৰাৰাম বৰুৱা, নৱ বৰা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সহকাৰী সম্পাদক সন্দীপ কলিতা, নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ বিত্ত আৰু গাণনিক বিষয়া হিমাংশু শইকীয়া উপস্থিত থাকে। উল্লেখ্য যে, গুৰুজনাৰ স্মৃতিবিজড়িত ঐতিহাসিক বটদ্ৰৱা থানৰ পৰিচালনা সমিতি সম্বন্ধীয় বিতৰ্কই বিগত সময়ছোৱাত সংবাদ মাধ্যমৰ শিৰোনামা দখল কৰি আহিছিল। সমান্তৰালকৈ পৰিচালনা সমিতিৰ বিতৰ্কই মহামান্য উচ্চতম ন্যায়ালয় পৰ্যায় লৈ গতি কৰিছিল। আনকি, ২০২৪ বৰ্ষৰ ৯ জুনত অনুষ্ঠিত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাত পূৰ্বৰ সমিতিখনৰ দিনত সংঘটিত দুৰ্নীতি-অনিয়ম, বিত্তীয় খেলিমেলি আৰু বিভিন্ন অভিযোগত উক্ত সমিতিখনৰ ওপৰত অনাস্থা প্ৰস্তাৱ সৰ্বসম্মতি ক্ৰমে গৃহীত কৰি সমিতিখন ভংগ কৰা হৈছিল। স্থানীয় ৰাইজ, ভকত-বৈষ্ণৱ, আজীৱন সদস্য আৰু সত্ৰীয়া সদস্যৰ উপস্থিতিত এখন তদৰ্থ (অস্থায়ী) থান পৰিচালনা সমিতি গঠন কৰি থানৰ নিত্য-নৈমিত্তিক কাম-কাজৰ লগতে প্ৰশাসনিককে ধৰি সকলো কাম-কাজ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। পিছত নতুন সমিতিয়ে পূৰ্বৰ সমিতিখনলৈ সকলো নথিপত্ৰ আৰু চাবিকাঠি বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু বিতৰ্কিত পুৰণি সমিতিয়ে সামগ্ৰী সমূহ নিয়ম মতে চমজি নিদি নগাঁও আদালতৰ পৰা এক একপক্ষীয় নিষেধাজ্ঞা জাৰি কৰাৰ পাছত বিষয়টো উচ্চন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়লৈকে লৈ গৈছিল। অৱশেষত আদালতৰ নিৰ্দেশনা অনুযায়ী নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ তৎপৰতাত উক্ত বিতৰ্কিত বিষয়টোৰ অৱসানৰ ঘটাই যোৱা ২ নৱেম্বৰত অনুষ্ঠিত সাধাৰণ সভাত আগন্তুক তিনি বছৰৰ বাবে বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতি দেৱ গোস্বামীক সভাপতি, গোবিন দাসক কাৰ্যকৰী সভাপতি, লাচিত বৰদলৈক সম্পাদক, প্ৰাঞ্জল হাজৰিকা আৰু সন্দীপ কলিতাক সহকাৰী সম্পাদক, বদন কলিতাক কোষাধ্যক্ষ হিচাপে লৈ পৰিচালনা সমিতি গঠন কৰা হৈছিল।

# বৰজহা মজলীয়া বিদ্যালয়ৰ শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

## ২৫ ডিচেম্বৰত ৰাজহুৱা সভা আহ্বান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ খাগৰিজান শিক্ষাখণ্ডৰ অন্তৰ্গত বৰজহা মজলীয়া বিদ্যালয়-এ আগন্তুক ২০২৬ত ভৰি থ'ব শতবৰ্ষত। ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনৰ শতবৰ্ষ উদ্‌যাপনৰ লক্ষ্যৰে বিদ্যালয়ৰ সভাগৃহত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয় । বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি বিতোপন দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰাক্তন ছাত্ৰ তথা সাংবাদিক জ্যোতিপ্ৰসাদ বৰাই। বিদ্যালয়ৰ প্ৰধান শিক্ষক তৰুণ চন্দ্ৰ দাসৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰাৰ উপৰিও চলিত বৰ্ষৰ ২৫ ডিচেম্বৰৰ বিয়লি ১.০০ বজাত ৰাজহুৱা সভা আহ্বান কৰিবলৈ এখন এঘাৰজনীয়া আহ্বায়ক সমিতি গঠন কৰি দিয়া হয়। সভাৰ সিদ্ধান্ত অনুসৰি আহ্বায়ক সমিতিত অন্তৰ্ভুক্ত হোৱা সদস্য কেইজন হৈছে বিতোপন দাস, তৰুণ চন্দ্ৰ দাস, প্ৰবীন মজুমদাৰ, গৌৰীশংকৰ বৰা, দুৰ্লভ বৰা, পৰাগ বৰা, জ্যোতিপ্ৰসাদ বৰা, মনোজ শৰ্মা, দিপাংকৰ হাজৰিকা, দিপাংকৰ শৰ্মা আৰু দ্বীপজ্যোতি বৰা। উল্লেখ্য যে, ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ বিশ বছৰ পূৰ্বেই অৰ্থাৎ ১৯২৭ চনতেই নগাঁও জিলাৰ দক্ষিণপাট অঞ্চলৰ বৰজহা গাঁৱত স্থাপন হৈছিল বৰজহা মজলীয়া বিদ্যালয়। অঞ্চলটোৰ একাংশ দূৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত গঢ় লোৱা এই শিক্ষানুষ্ঠানখনি হৈছে নগাঁও জিলাৰ এক অন্যতম প্ৰাচীন শিক্ষানুষ্ঠান। শতিকা প্ৰাচীন এই শিক্ষানুষ্ঠানখনত এসময়ত বৰজহা, দক্ষিণপাটৰ উপৰিও ম'হমৰীয়া, কৃষ্ণাইখাট, ডাকৰঘাট, ঘাঁহী, হাতীগড়, দেউৰীগাঁও, বালিগাঁও, বৰক'লা গাঁৱৰ পৰাও শিক্ষাৰ্থী আহি অধ্যয়ন কৰিছিল। সেয়ে এনে এখন শিক্ষানুষ্ঠানৰ শতবৰ্ষ উদ্‌যাপন কৰাটো এক পৰম সৌভাগ্যৰ বিষয় বুলি অভিহিত কৰি প্ৰস্তুতিমূলক সভাত উপস্থিত ৰাইজে এইক্ষেত্ৰত সকলোকে সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনায়। ইপিনে, আগন্তুক ২৫ ডিচেম্বৰত বিয়লি ১.০০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা সভাখনত অঞ্চলটোৰ ৰাইজৰ লগতে অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰো উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে শতবৰ্ষ উৎসৱ প্ৰস্তুতিৰ আহ্বায়ক সমিতিখনে।

# নগাঁৱত কাৰ্নিভাল বাণিজ্যিক মেলাৰ শুভাৰম্ভ




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ নেহেৰুৱালিত কাৰ্নিভাল বাণিজ্যিক মেলাৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। মেলা সমিতিৰ উদ্যোক্তা সকলে জানিবলৈ দিয়া মতে প্ৰতিবৰ্ষৰ দৰে এইবাৰো অসমৰ লগতে ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ পৰা অহা বিপনী সমূহত মানুহে দৈনন্দিন ব্যৱহৃত সকলো সামগ্ৰী উপলব্ধ হ'ব। তদুপৰি শিশুসকলৰ মনোৰঞ্জনৰ লগতে খেলা-ধূলা দিশটোক প্ৰাধান্য দি পোনপ্ৰথমবাৰৰ বাবে কেইবাটাও আধুনিক ক্ৰীড়াৰ সঁজুলি উপলব্ধ থাকিব বুলিও জনায়। নগাঁও জিলা উপ-পৌৰপতি সীমান্ত বৰাই শুভাৰম্ভ কৰা কাৰ্নিভাল বাণিজ্যিক মেলাখন অহা ৫ জানুৱাৰী লৈকে চলিব। উল্লেখ্য যে শুভাৰম্ভণি অনুষ্ঠানত নগাঁও বিজেপি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক সাগৰ বৰা, নগাঁও জিলা সমিতিৰ অবিচি মৰ্চাৰ সভাপতি প্ৰণৱ বৰাকে আদি কৰি নগাঁৱৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# অসমৰ জনপ্ৰিয় তবলাবাদক মুনীন্দ্ৰ গোস্বামীৰ সৈতে এক অন্তৰংগ আলাপ

**য**শস্বী তবলাবাদক স্বৰ্গীয় বিবেকানন্দ ভট্টাচাৰ্যদেৱ আৰু কলিকতাৰ পদ্মবিভূষণ বঁটাপ্ৰাপ্ত ড° জ্ঞানপ্ৰকাশ ঘোষৰ ওচৰত তবলাৰ প্ৰশিক্ষণ লোৱা অসমৰ নগাঁৱৰ জনপ্ৰিয় তবলাবাদক মুনীন্দ্ৰ গোস্বামীৰ সৈতে তেওঁৰ বাসগৃহত হোৱা এক অন্তৰংগ আলাপৰ কিছু অংশ অসম প্ৰৱাহৰ পাঠকসকলৰ বাবে আগবঢ়োৱা হ'ল ঃ

■ **তবলাৰ প্ৰতি আপুনি আকৰ্ষিত কেনেকৈ হৈছিল ?**

**মুনীন গোস্বামী ঃ** আমাৰ ঘৰখনত তবলাৰ এটা পৰিৱেশ আছিল। মোৰ বাইদেউহঁতে কথক নাচিছিল। স্বনামধন্য তবলাবাদক মোৰ তবলাৰ গুৰু বিবেকানন্দ ভট্টাচাৰ্যদেৱে সংগত কৰিছিল। ১৯৭১ চনত মই লক্ষ্ণৌৰ ভাতখান্দে মহাবিদ্যালয় চাবলৈ গ'লো তাত দেখি মোৰ তবলা শিকিবলৈ মন গ'ল। ১৯৭২ চনত বিবেকানন্দ ভট্টাচাৰ্যদেৱৰ ওচৰত তবলাৰ প্ৰশিক্ষন ল'লো।

■ **তবলাবাদক হোৱাৰ ক্ষেত্ৰত আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**মুনীন গোস্বামী ঃ** মোৰ দেউতাৰ নাম প্ৰয়াত সৰুদেৱ গোস্বামী আৰু দেউতাই চৰকাৰী চাকৰি কৰিছিল। তেখেতে বিশেষ গান বাজনা কৰা নাছিল কিন্তু আমাক বাধাও দিয়া নাছিল। মোৰ মাৰ নাম প্ৰয়াত জীৱবালা দেৱী। তেখেতে গান বাজনা নকৰিলেও আমাক বিশেষভাৱে উৎসাহিত কৰিছিল। মোৰ মা ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ অনুৰাগী আছিল। মায়ে মই তবলা অভ্যাস নকৰিলে গালি দিছিল মাৰো দিছিল। গতিকে মা দেউতা দুয়োজনৰে মই তবলাবাদক হোৱাৰ ক্ষেত্ৰত অৰিহণা আছে।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে ?**

**মুনীন গোস্বামী ঃ** আমাৰ দিনত আমি সময় পাইছিলোঁ, আমি পঢ়িছিলোঁ, খেলিছিলোঁ, সংগীত সাধনাও কৰিছিলোঁ। আমি তবলা সাধনা কৰিবৰ বাবে যিখিনি সময় লাগে সেয়া উলিয়াই লৈছিলো। আজিকালি স্কুলসমূহৰ মাজত এক প্ৰতিযোগিতা চলিছে, যে পঢ়িব লাগিব, নম্বৰ পাব লাগিব তাৰবাদে বেলেগ একো কৰাৰ অৱকাশ নাই। অভিভাৱকে হেঁচা প্ৰয়োগ কৰি আছে ৯৯ তথা ১০০ নম্বৰ পাব লাগে। এই বিষয়ত মই অলপ চিন্তিত হওঁ।

■ **আপোনাৰ অসাধাৰণ তবলা প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**মুনীন গোস্বামী ঃ** মই ২০০২ চন মানৰ পৰা নাটকৰ সংগীত পৰিচালনা কৰিছিলো। নাটকৰ সংগীত পৰিচালনা কৰোতে নাটকত অভিনয় কৰা ল'ৰা-ছোৱালীবিলাকে মোক নাটক লিখিবলৈ উৎসাহিত কৰিছিল। তাৰপিছত ২০১২ চনত সপোন যেন লগা এজাক বৰষুণ বুলি এখন পূৰ্ণ দৈৰ্ঘ্যৰ নাটক মই লিখিছিলোঁ। একাংকিকা নাটক দুখন লিখিলো, Short Filam দুখনমান লিখিলো।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**মুনীন গোস্বামী ঃ** সংস্কৃতিটো জাতি উত্তৰণৰ একমাত্ৰ পথ বুলি মই ভাবো। শিক্ষা লাগিবই। সংস্কাৰ নাথাকিলে শিক্ষা, সংস্কৃতি থাকিও একো নোহোৱাৰ নিচিনা এটা কথা হৈ পৰে। জাতি উত্তৰণৰ ক্ষেত্ৰত এই দুটা সম্পদ অপৰিহাৰ্য।

■ **তবলাবাদক নোহোৱা হ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন ?**

**মুনীন গোস্বামী ঃ** তবলাটো মোৰ পেছা নহয়, মই চৰকাৰী চাকৰিয়েই কৰিছিলো। মই যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ পৰা পৰা মেকানিকেল ইঞ্জিনিয়াৰিঙত স্নাতক ডিগ্ৰী লৈ আহি পাঁচটামান বেলেগ বেলেগ বিভাগত চাকৰি কৰিছিলো। পিছত সাংস্কৃতিক বিভাগত চাকৰি কৰিলো।

■ **আপোনাৰ প্ৰিয় খাদ্য ?**

**মুনীন গোস্বামী ঃ** মই সিজোৱা খাদ্য খাই ভাল পাওঁ। জনজাতীয় খাদ্য খাই ভাল পাওঁ।

■ **আপোনাৰ প্ৰিয় ৰং ?**

**মুনীন গোস্বামী ঃ** ৰঙা।

■ **আপোনাক কোনবোৰ কথাই খং তোলাই ?**

**মুনীন গোস্বামী ঃ** মিছা কথা ক'লে খং উঠে।

■ **আপুনি আপোনাৰ সন্তানক আপোনাৰ দৰে বিখ্যাত তবলাবাদক হোৱাটো বিচাৰেনে ?**

**মুনীন গোস্বামী ঃ** সৰুতে মই বিচাৰিছিলোঁ। মোৰ ল'ৰা এটাই তাক মই তবলা শিকাইছিলো। তবলা বজাই অসমত খাব পাৰিব বুলি মোৰ বিশ্বাস নহয়। কাৰণ মই নিজেও খাব পৰা নাছিলোঁ।

■ **আপোনাৰ প্ৰিয় তবলাবাদক আৰু প্ৰিয় শাস্ত্ৰীয় কণ্ঠশিল্পী কোন ?**

**মুনীন গোস্বামী ঃ** মোৰ প্ৰিয় তবলাবাদক ওস্তাদ জাকিৰ হুছেইন, স্বপন চৌধুৰী, বানৰস ঘৰানাৰ পণ্ডিত কুমাৰ বোস এওঁলোকৰ তবলাবাদন মোৰ ভাল লাগে। তবলাবাদক সঞ্জয় মুখাৰ্জীৰ লটকী লৰী পাৰ্টটো মোৰ ভাল লাগে। শাস্ত্ৰীয় কণ্ঠশিল্পী হিচাপে পাৰবীন চুলতানা, কিশোৰী অমনকাৰ, অশ্বিনী ভিন্দেৰ শাস্ত্ৰীয় সংগীত শুনি মোৰ ভাল লাগে।

■ **অসমত তবলাৰ ভৱিষ্যত সম্পৰ্কে আপুনি কি ক'ব খোজে ?**

**মুনীন গোস্বামী ঃ** অসমত তবলাৰ ভৱিষ্যত বুলি ক'বলৈ অলপ টান। ১৯৭৪-৭৫ চন মানত অসমত তবলাৰ এটা খুব ভাল পৰিৱেশ আছিল। তবলা বুলি ক'লে এটা সংগতকাৰী বাদ্য। আধুনিক গীতত তবলা বজোৱা আৰু চেতাৰ বা সৰোদৰ লগত তবলা বজোৱা সম্পূৰ্ণ বেলেগ কথা। এতিয়া তবলাৰ সেই পৰিৱেশটো অসমত একেবাৰে নাই। কলিকতাত তবলাৰ যি পৰিৱেশ আছে সেয়া অসমত নাই।



■ **আপোনাৰ আদৰ্শ ব্যক্তি ?**

**মুনীন গোস্বামী ঃ** মোৰ তবলাৰ গুৰু স্বৰ্গীয় বিবেকানন্দ ভট্টাচাৰ্য আৰু কলিকতাৰ মোৰ গুৰু পদ্মবিভূষণ ড° জ্ঞানপ্ৰকাশ ঘোষ।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**মুনীন গোস্বামী ঃ** ভগৱানে আমাক জীৱনটো দিছে কিছু কাম কৰিবলৈ। কি কাম কৰিম তাৰ কিছু অংশ ভগৱানে আমাক দি পঠাইছে। কি দি পঠিয়াইছে সেয়া চিনি পোৱাটো প্ৰথম কথা, তাৰদ্বাৰা জনসাধাৰণক আনন্দ দি যোৱাটোৱেই মূল কথা বুলি মই ভাবো।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# আধুনিকতাৰ প্ৰভাৱত নোহোৱা হ'ল মৰণা মৰাৰ চিনাকী দৃশ্য

**জয়ন্ত মুদৈ, নগাঁও ঃ** তথ্য-প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ লগে লগে আমাৰ মাজতো বহু পৰিমাণে পৰিৱৰ্তন আহি পৰিছে। ইয়াৰ সমান্তৰালভাৱে আমাৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াও যথেষ্ট সলনি হ'ব ধৰিছে। আনকি তথাকথিত আধুনিকতাৰ ধামখুমীয়া আৰু যান্ত্ৰিকতাৰ কৰাল গ্ৰাসত পৰি ক্ৰমাৎ হেৰাই যাব ধৰিছে অসমীয়া চহা গ্ৰাম্য জীৱনৰ লগত ওতঃপোতভাৱে জড়িত কিছুমান কৰ্ম পদ্ধতি। নোহোৱা হৈ পৰিছে কিছুমান চিনাকী দৃশ্য। ইয়াৰ অন্যতম উদাহৰণ হিচাপে গ্ৰামাঞ্চলবাসীৰ নিচেই চিনাকী মৰণা মৰাৰ দৃশ্যৰ কথাকে ক'ব পাৰি। সমাজ পৰিৱৰ্তনৰ দ্ৰুতগামী যাত্ৰাত নৱপ্ৰজন্মৰ কাৰণে যেন ক্ৰমাৎ অচিনাকী হৈ পৰিছে মৰণা মৰাৰ চহা গ্ৰাম্য জীৱনৰ আপোন দৃশ্য। পূৰ্বতে এই আঘোন-পুহ মাহৰ সময়ছোৱাত গ্ৰামাঞ্চলৰ কৃষিজীৱী লোকসকলৰ চোতালে চোতালে দেখা গৈছিল মৰণা মৰাৰ মনোৰম দৃশ্য। চোতালৰ সোঁমাজতে পথাৰৰ পৰা কাটি অনা ধানৰ দাঙৰিবোৰ বৃত্তাকাৰে পাৰি লৈ তাৰ ওপৰেদি দুটা বা তিনিটা বলধ গৰু সাঙুৰি লৈ ঘূৰাই ঘূৰাই ধানবোৰ সৰাই পেলোৱা হয়। এই মৰণা মৰা কাৰ্য প্ৰধানকৈ ঘৰৰ পুৰুষসকলে সম্পাদন কৰে। অৱশ্যে ঘৰৰ মহিলাসকলেও মৰণা মৰা কামত নিয়োজিত লোকসকলক সময়ে সময়ে চাহ-জলপান যতনাই দি সহায়ৰ হাত আগবঢ়াইছিল। গাঁৱৰ চহালোকসকলে আবেলিৰ পৰা নিশালৈ আৰু বহুতে দোকমোকালিতে শুৱাপাটি এৰি এইদৰে মৰণা মৰা কামত লাগি যায়। ফলত গ্ৰামাঞ্চলৰ চৌপাশে এক চৰম ব্যস্ততামুখৰ মনোমোহা পৰিবেশে বিৰাজ কৰে। আচলতে, সকলোৱে হাঁহি-ধেমালিৰ মাজেৰে এই মৰণা মৰা কাৰ্য সম্পাদন কৰাটো যেন এক গৌৰৱ আৰু সৌভাগ্যৰ কথাহে আছিল অতীতৰ বছৰবোৰত। কিন্তু বৰ্তমান অত্যাধুনিক প্ৰযুক্তিৰ যুগত এই মৰণা মৰাৰ দৃশ্য একেবাৰে নোহোৱা হৈ পৰিল। তাৰ পৰিৱৰ্তে সকলোৱে আজিকালি মেচিনৰ জৰিয়তে এই কাম সম্পন্ন কৰা দেখা যায়। আনকি এই কাৰ্যত ধন খৰছ কৰি যন্ত্ৰ ব্যৱহাৰ কৰাতহে নৱ-প্ৰজন্ম অতিকে আগ্ৰহী হৈ পৰিছে। যাৰ পৰিণতিত আগৰ দৰে দেখা নাযায় গ্ৰামাঞ্চলৰ কৃষকসকলৰ চোতালে চোতালে মৰণা মৰাৰ সেই চিনাকী দৃশ্য। শুনা নাযায় গৰুহালক খেদি খেদি গৃহস্থই উচ্চাৰিত কৰা 'হুৰ হুৰ...ঘোৰ ঘোৰ...' শব্দ। তদুপৰি মৰণা মৰা কাৰ্যত সততে ব্যৱহৃত উখোন, বৰচালনি, কোহোনা আদিৰ দৰে কৃষকৰ অতি আদৰৰ আৰু অসমীয়া কৃষি পদ্ধতিৰ আজীৱন আহিলাসমূহ আমাৰ মাজৰ পৰা হেৰাই গ'ল। আনকি নৱ প্ৰজন্মৰ বহুতেই এতিয়া বুজি নাপায় সেই মৰণা মৰা কাৰ্যৰ বিষয়ে। কাজেই, আধুনিকতাৰ ধাম-খুমীয়াৰ পৰিণতিতেই কালৰ সোঁতত হেৰাই যাব ধৰিছে মৰণা মৰাকে ধৰি খেতি-পথাৰৰ আপুৰুগীয়া বহু দৃশ্যাৱলী।

# ঢেকিয়াজুলীত লেখক-সাংবাদিক হৰেণ ভূমিজৰ প্ৰবন্ধ সংকলন 'সমাজ ধৰ্ম আৰু ঐতিহ্যৰ অনুসন্ধান' শীৰ্ষক গ্ৰন্থখন উন্মোচন




**ৰমেন ভৰালী, বংশৰ ঃ** অসমীয়া জাতিয়ে জুবিন গাৰ্গক ভগৱান হিচাপে নিৰ্মাণ কৰিছে। অৰুণ চাচনিৰ উপাধিটো সলনি কৰি অৰুণ গাৰ্গ কৰি দিয়াটোৱেই চাহ জনগোষ্ঠীক জুবিন গাৰ্গে প্ৰদান কৰা অন্যতম উপহাৰ। যোৱা ৪ ডিচেম্বৰত সন্ধিয়া শোণিতপুৰৰ ঢেকিয়াজুলীত লেখক-সাংবাদিক হৰেণ ভূমিজৰ প্ৰবন্ধ সংকলন 'সমাজ ধৰ্ম আৰু ঐতিহ্যৰ অনুসন্ধান' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ লগতে কয় যে অৰুণ গাৰ্গে জুবিন গাৰ্গৰ মৃতদেহ কান্ধত লৈ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিলে; এয়াই জুবিন গাৰ্গৰ প্ৰাপ্তি, ব্যাপ্তি আৰু মহানতা। লেখক সাংবাদিক তথা চাহ জনগোষ্ঠীৰ প্ৰতিনিধি হৰেণ ভূমিজৰ গ্ৰন্থ উন্মোচন কৰি আমি সম্প্ৰীতিৰ শোভা উপভোগ কৰিছোঁ; আশা কৰোঁ গ্ৰন্থখনে পঢ়ুৱৈৰ অন্তৰ স্পৰ্শ কৰিব। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা অন্যতম উদ্যোগতা দুলাল নাথে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত বৰছলাৰ সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বু, শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি শুকদেৱ অধিকাৰী, বিশিষ্ট সমাজকৰ্মী ভোলাৰাম ৰাউতীয়া, যুগল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিশ্বজিৎ বড়ো, ডুমডুমা আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰুণা পাণ্ডা, অসম সাহিত্য সভাৰ প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক তথা সাংবাদিক ৰমেন ভৰালী, পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপসমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইন, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ভূৱন ছেত্ৰী, আটছাৰ কেন্দ্ৰীয় সমিতিৰ উপসভাপতি মোহন তাঁতি, মিছামাৰী জিলা পৰিষদৰ সদস্য দুলুমণি বৰা, ঠেলামৰা জিলা পৰষদৰ সদস্য শিৱ চৰণ চাহু, যুৱনেতা বাটাছ ওৰাং, আদিবাসী কাউন্সিলৰ সদস্য দ্বীপেন নায়ক, ঢেকিয়াজুলী প্ৰেছ ক্লাবৰ সভাপতি ভগৱান বৈশ্য, শ্বহীদ দ্বিজেন ভূঞা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গোলোক বৰা, শিক্ষক আব্দুল জলেল, আব্বাছ আলি, বিষ্ণুসিং ভূমিজ, কবি জ্যোৰ্তিময় বৰা, চিত্ৰশিল্পী ফাৰহান জাভেদ, ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি পংকজ কুমাৰ নাথ, সম্পাদক ছাহিন আহমেদ, সাংবাদিক বগা তপ্ন, পৱিত্ৰ দাস, বাৰ্তাজীৱি সংঘ শোণিতপুৰ জিলা সমিতিৰ সভাপতি নাৰায়ণ ফয়েল প্ৰমুখ্যে বহু সংখ্যক গণ্যমান্য ব্যক্তিয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। সভাত লেখক হৰেণ ভূমিজৰ অনুভৱৰ গুঞ্জন আৰু কবি শংকুসিদ্ধ নাথৰ 'ভূপেন হাজৰিকা' শীৰ্ষক স্বৰচিত কবিতা পাঠে অনন্য মাদকতা প্ৰদান কৰে।

# জীৱন যে বৰ অনুপম

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

আহ,
কিমান যে হালধীয়া সোণাৰু
মোহময়ী প্ৰণয়ৰ খেলা
মোৰ গোপন হিয়াত তোমাৰ
পৰশ লাগি তোলে ঝংকাৰ
মুক্ত মনেৰে উৰি যায় পিয়াসী হৈ
নীল আকাশত বুকু ভৰাই,

শব্দৰ ছন্দেৰে অনুভৱবোৰে
মন আকাশত  ভাললগা
চিত্ৰকল্পৰে আঁকি, দি যায় সঁহাৰি
অনন্য দৃষ্টিৰে পায় প্ৰশান্তি,
আবেলিৰ ৰঙে ৰঙাই তোলেহি

সৌন্দৰ্যৰে এপলক, শব্দৰ হেঁপাহবোৰে
উদং বুকুত বিচাৰি পায়
মৰম, ভালপোৱাৰ স্নেহৰ খোজ,
এজাক ধুমুহাৰ দৰে আহি
হেৰুৱাবোৰ মনত সাঁচ বহুৱাই,

তথাপি মনে নামানে
মানৰ জীৱন নহয় চিৰকাল
শ্যামলী কোলাত সপোনৰ বাটে
মাতে ৰিঙিয়াই, নানা ৰঙৰ
ফুলৰ সুৰভি ঢালি প্ৰাণ উপচাই
পাহাৰে ভৈয়ামে  উল্লাসৰে
আসন পাতে, জীৱন যে বৰ অনুপম।



# এটা হাঁহিৰ সিপাৰে

**পূৰৱী বৰুৱা ফুকন**
সোণাৰি, চৰাইদেউ

এটা হাঁহিৰ সিপাৰে দুখবোৰ লুকুৱাই
সুখৰ কিমান যে অভিনয়
জীৱন নাটৰ প্ৰতিটো দৰ্শনীতে
ভাও দি ভাগৰি পৰে তাই
হৃদয়খন কিমান পাষাণ হ'লে
আপোনৰো আপোন মানুহবোৰ
হিংস্ৰ হ'ব পাৰে
কিমান নিষ্ঠুৰ হ'লে
আপোনজনৰ হিয়া ভগা ক্ৰন্দনতো
মানুহে আনন্দৰ উৎসৱ উদ্‌যাপন কৰে
বিলাতী ৰাগীত ৰাতিবোৰ ৰংচঙীয়া হৈ পৰে
তাইৰ মায়াময় গৃহ নগৰত
ধনৰ লালসাত মানৱতা লুণ্ঠিত হয়
কোনোবা দস্যুৰ হাতত

টকা-পইচা, ভোগ-বিলাস
সম্পত্তিৰ একোটা পাহাৰ
অথবা ৰঙীন বিলাতী পনীয়
এয়াই জানো জীৱনৰ  সৰ্বস্ব
হয়তো নহয়, এয়া প্ৰয়োজনহে মাথোঁ

তেনেহ'লে আপোনজনৰ হাতত
তাই বাৰে বাৰে কিয় হয় লাঞ্ছিতা
যৌতুকৰ নামত প্ৰতিটো মাতাল নিশা
তাইক কিয় কৰা হয় হত্যা
অথচ পুৱা এটি কৃত্ৰিম হাঁহি পিন্ধি

তাই জী উঠে কাৰোবাৰ পত্নী,
কাৰোবাৰ মাতৃ, ইত্যাদি-ইত্যাদি
সেই হাঁহিৰ সিটোপাৰে
বিষাদৰ এখন নৈ বৈ থাকে
সেই সুখৰ সিটোপাৰে থাকে
দুখৰ এখন মৰুময় পৃথিৱী
য'ত দুখৰ বৰ নোৱাৰা বোজাবোৰ
উটৰ দৰে তাই কঢ়িয়াই লৈ ফুৰে
অনায়াসে।

# আকৌ লিখিম কবিতা

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

আকৌ লিখিম কবিতা
সেই লাহী ডেউকাৰ কথাৰে
শীতল শীতল মধুৰ স্বৰত
নাচি উঠা তাই
মেঘালী চুলিটাৰিৰ কথাৰে।
আকৌ লিখিম কবিতা
তাই দৰদী মাতত
নীলিম সাগৰৰ বিশাল বুকুত
বাজি উঠা বীণাখনিৰ কথাৰে
সৌ মৰহা মৰহা
পাপৰিৰ কোলাত বগা ডাৱৰে কৰা
লুকাভাকু খেলাৰ কথাৰে।
আকৌ লিখিম কবিতা
নীলা নীলা চাদৰখনে
শীতৰ কুঁৱলীত
ডেউকা মেলাৰ কথাৰে
স্মৃতিৰ বুকুত জোঁটলগা অতীতৰ
মালা গঁথা কথাৰে।
আকৌ লিখিম কবিতা
যদি পাৰা পঢ়িবাচোন
সুকোমল কুঁহিপাতত
তোমাৰ মেলিব শোণিমা কুমলীয়া..।

# কলিজাত লিখি ৰাখিছোঁ তোমাৰ নাম

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

কলিজাত লিখি ৰাখিছোঁ
মৰমেৰে তোমাৰ নাম সযতনে
কোনেও মচিব নোৱাৰা কৰি
জনম জনমলৈ।
তোমাৰ ৰূপ লাৱণ্যত
আজিও মই মোহাচ্ছন্ন
যেন নিজম পুখুৰীৰ স্বচ্ছ পানী,
দুচকুৰ আকুলতাই আবিৰ সানে
সপোনৰ জোনাকত প্ৰেমৰ
দপদপীয়া বৰষুণ।
কত আহিব কত যাব
হৃদয়াকাশ হ'ব কুৰুক্ষেত্ৰ
জীপাল হ'ব তোমাৰ মৰমত
ধূসৰ প্ৰেমৰ পথাৰ
অভিমানী হৈ পৰিব আকাশ-বতাহ
তথাপিও কলিজাত লিখি ৰাখিছোঁ
তোমাৰ নাম বৰ সংগোপনে
বৰ হেঁপাহেৰে।
**ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮**

# বিষ

**নমিতা দাস**
শুৱালকুছি, শান্তিতোল

প্ৰতিদিন প্ৰতিপল, এখন শীতল যুদ্ধত
নামি পৰা মই
জিকিবলৈ আপ্ৰাণ চেষ্টা
নাই, নোৱাৰো।
বুকুৰ বিষটোৱে
মোক জিকিবলৈকে নিদিয়ে,
সপোন-
সপোনবোৰে পোখা মেলে,
আকৌ নতুন বিষ এটা আৰম্ভ হয়
লাহে লাহে -
পাহৰিব ধৰা বিষটো
নিৰ্জনতাৰ সুযোগ লৈ পুনৰ
মেৰিয়াই ধৰে নাগ পাশৰ দৰে
আপ্ৰাণ চেষ্টা কৰিছো সহ্য কৰিবলৈ
নাই নোৱাৰো
মাজে মাজে উক দিয়া বিষত
ভাগৰি নপৰি
ঠিয় হৈ থাকিব বিচাৰো
নিজৰ জেগাত।

# নীৰৱ আশা

**চিমী বৰুৱা,**
মৰিগাঁও চৰাইবাঁহী

মই জানো, তেওঁ নাহে,
তথাপিও অপেক্ষা কৰোঁ-
যেন মনটোৱে একেটা কথা ভাবি
দিনে দিনে সেই বাটতে আহি থমকি ৰয়।
অভিমানো লাগি থাকে,
কিন্তু নিজেই ভাবোঁ-
তেওঁ জানিবও নোৱাৰিব,
বুজিবও নোৱাৰে হয়তো
তথাপিও মনটোৱে কিবা এটা আশা লৈ থাকে।
কেতিয়াবা কেতিয়াবা নিজেই হাঁহি উঠে,
"এই যে মানুহজনক লৈ
এতিয়া কেনে মৰম জন্মিল?"
এই কথা ভাবিলেই বুকু স্তব্ধ হৈ যায়।
আবেগ বহুত থাকে,
কিছু ক'ব বিচাৰোঁ,
কিন্তু শব্দবোৰ ওঁঠলৈ আহিও থমকে-
যেন মনেই কয়, "নোকোৱাই বেছি ভাল।"
এতিয়া এইখিনি মুহূৰ্ত,
মোৰ ভিতৰত নিঃশব্দে বাজি থাকে-
অপেক্ষা, অভিমান, মৰম, নীৰৱতা।
সকলোতে এটা মিহি ব্যথাৰ সুৰ।
মই অনুভৱ কৰোঁ,
কিন্তু কাকো ক'ব নোৱাৰোঁ।
**ম'বাইল ঃ ৭০৯৯৭-৪৭৬৪৩**

# পূৰ্ণিমা ৰাতি

**প্ৰবীণ কুমাৰ দাস**

পূৰ্ণিমা ৰাতি
কি যে মজ্জা
ৰাসলীলা আগমণ
গোপ গোপী মতলীয়া
কানাইৰ কথা ভাবি।

বৃন্দাবন মথুৰা
কানাইক বিচাৰি
দৌৰি ধাপলি মেলিছে
ক'ত আছে জানো
আমাৰ কানাই সকলো বলিয়া।
গোপ গোপীৰ মন প্ৰাণ বুজি
কানাইৰ আগমণ
মথুৰা বৃন্দাবনলৈ ধাপলি
ৰাসলীলা কৰে সৰাৰো সৈতে।



# হিমচেঁচা অনুভৱ

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

পুৱাৰ চিপচিপীয়া বৰষুণৰ
মৃদু শব্দত
হিয়াজুৰ পৰা খবৰ
ঠিকনা কিয় লাগে
সেউজীয়া পাতৰ আঁৰত
থাকক দিয়া এবুকু কুহুমীয়া
মৰম।
হিমচেঁচা অনুভৱত
আঙুলি বুলাই
বাঁহীৰ সুৰ দি
গাবলৈ দিয়া
হৃদয়ৰ গান
আবেলি বেলি ডুবাৰ সময়ত
আহিবা নদীৰ
পাৰলৈ
কুঁহিপাতৰ গোপন
পিৰিতি চাম।

# পাৰিবানে তুমি এজোপা গছ হ'ব

**দীপশিখা বৰা**, বালিপথাৰ

পাৰিবানে তুমি?
মোৰ বাবে এজোপা গছ হ'বলৈ
পখৰ  ৰ'দতো উত্তাপ সহ্য কৰি
মোৰ বাবে ঠিয় হ'বলৈ।

প্ৰৱল ধুমুহা আহিব
মেঘে গৰজিব।
বিজুলী ঢেৰেকণিৰে তোমাক
ভয়ৰ ভাবুকি দিব।
তোমাৰ  দেহত
ধাৰাসাৰ বৃষ্টিপাত হৈ বৈ পৰিব।
শিল বৰষুণতো তোমাৰ
শিৰত ছত্ৰ নাথাকিব।
স্থিৰ হৈ তাতে তুমি
জুৰুলি-জুপুৰি হ'ব লাগিব।
এজাক বৰষুণতে তুমি জী উঠিব লাগিব
কেতিয়াবা বহু দিন ধৰি খৰ মাৰিব।
পাৰিবা জানো তুমি
মোৰ বাবে এজোপা গছ হ'ব?
নিজেই  যন্ত্ৰনাত দগ্ধ হৈ
মোৰ বাবে সেউজীয়া হ'ব পাৰিবানে?
পাৰিবানে নিজেই
দূষিত বায়ু সেৱন কৰি
মোক তোমাৰ বিশুদ্ধ
অম্লজান দি জী উঠাব।
পাৰিবা জানো তুমি গছ হ'ব?
প্ৰতি অব্দতে ফাগুণ আহিব।
ধূলিৰে তোমাৰ তনু ভৰি পৰিব।
তোমাৰ শৰীৰ লঠঙা হ'ব।
সেউজীয়া মনবোৰ হালধীয়া হ'ব।
এটি দুটিকৈ মনবোৰ নীৰস হৈ পৰিব।
শুকান পাতৰ দৰে সৰি ৰ'ব।
পাৰিবা জানো তুমি গছ হ'ব?
যদি তুমি মোৰ বাবে
এজোপা গছ হোৱা।
ফুলহৈ ফুলিব লাগিব।
ফল হৈ ফল  দিব লাগিব।
পাৰিব লাগিব তুমি
এজোপা গছ হৈ মোক ছাঁ দিবলৈ।
অৱশ সময়ত তোমাৰ কোলাত
জিৰণি ল'বলৈ।
ওমাৰ হৃদয়ত শিপাহৈ  তুমি
খামুচি ধৰিবলৈ।
প্ৰতি বসন্ত আহিব
মোৰ বাবে তুমি
শোকবোৰ পৰিহাৰ কৰি
ন-কুঁহিপাত মেলিব লাগিব।
মোৰ বাবে তুমি
এজোপা গছ হ'ব পাৰিব লাগিব।
**ম'বাইল ঃ ৮০১১৭-১২৩৮৩**

# অগ্নিশিখা

**আয়শা ছিদ্দিকা**
বাংলিপাৰা, বৰপেটা

একুৰা লেলিহান তপ্ত জুই
যাৰ উষ্ম স্পৰ্শত মই
কিঞ্চিৎ কিঞ্চিৎ দহি আছোঁ
পদযুগলৰ পৰা শিৰোৰুহ লৈ
অন্তৰিন্দ্ৰিয়ো ভস্ম হ'ল
পৰি ৰ'ল ক'লা ধোঁৱা আৰু ছাই।
সেয়াও মিলি যাব ক্ষণিকতে
ধূলি ধূসৰিত হ'ব
মিশ্ৰিত হ'ব মাটিৰ কণিকাত
নতুবা গগনাম্বুৰ স্ৰোতত
বৈ যাব সীমান্তৰ পৰা অনন্তলৈ।
বিন্দুমাত্ৰ বেদনাৰ ফিৰিঙতি
সময়ৰ খটিয়নিত দৈৱাৎ
দাৱানল ৰূপলৈ গিলি থয়
এটোপ এটোপ কৰি হৃদয়ত
বৈ থকা সুখাৰ্ণৱ সমুদায়।
**ম'বাইল ঃ ৯৩৬৫৬-৮১৯৬৮**

প্ৰথম পৃষ্ঠাৰ পৰা

# স্বাধীনোত্তৰ কালত বৰ্তমান অসমত উন্নয়ন আৰু পৰিৱৰ্তনৰ সোণালী যুগ

২০১৭-১৮ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ সৰ্বমুঠ ১,৮৬,৪৪২ গৰাকী শিক্ষাৰ্থীক স্কুটাৰ প্ৰদান কৰিছে আৰু ইয়াৰ বাবে ৰাজ্য চৰকাৰে ১০৪৩ কোটিৰো অধিক পুঁজি ব্যয় কৰিছে। আজি স্কুটাৰ লাভ কৰা শিক্ষাৰ্থীসকলক শুভেচ্ছা জনাই মুখ্যমন্ত্ৰীয়ে তেওঁলোকক দুটা বিশেষ কথা মানি চলিবলৈ আহ্বান জনায়, সেয়া হৈছে দুচকীয়া বাহনৰ চালকৰ অনুজ্ঞাপত্ৰ লাভ নকৰালৈকে স্কুটাৰ নচলোৱা আৰু স্কুটাৰ চলোৱাৰ সময়ত সদায়েই হেলমেট পৰিধান কৰা। মুখ্যমন্ত্ৰীয়ে কয় যে এইবাৰ ড° বাণীকান্ত কাকতি মেধা বঁটা আঁচনিখনৰ ৰূপায়ণত সামান্য পৰিৱৰ্তন অনা হৈছে। সেয়েহে বিগত বৰ্ষৰ ৪৮,৬৭৩ গৰাকী শিক্ষাৰ্থীৰ পৰিৱৰ্তে এইবাৰ স্কুটাৰপ্ৰাপক শিক্ষাৰ্থীৰ সংখ্যা ১১,২৫০ গৰাকীলৈ হ্ৰাস পাইছে। চৰকাৰে ক্ৰমান্বয়ে 'নিযুত মইনা' আঁচনিৰ পৰিসৰ অধিক সম্প্ৰসাৰিত কৰি থকা বাবেও এই সংখ্যা হ্ৰাস পাইছে বুলি ব্যক্ত কৰি তেওঁ কয় যে স্কুটাৰ লাভ কৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস পালেও 'নিযুত মইনা' আঁচনিয়ে ৫ লাখৰো অধিক ছাত্ৰীক সামৰি লৈছে। ছাত্ৰসকলকো অধ্যয়নৰ দিশত অনুপ্ৰাণিত কৰিবৰ বাবে অহা ১ জানুৱাৰীৰ পৰা 'নিযুত মইনা'ৰ আৰ্হিত এক নতুন আঁচনি আৰম্ভ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অসমত এক শৈক্ষিক পৰিৱেশ নিৰ্মাণেই চৰকাৰৰ এই পদক্ষেপৰ মূল উদ্দেশ্য বুলি তেওঁ মন্তব্য কৰে। ছাত্ৰ-ছাত্ৰীসকলক জীৱনত সদায়েই ইতিবাচক চিন্তা-ধাৰাক আঁকোৱালি ল'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে নিৰাশাক আঁকোৱালি লোৱা বা নেতিবাচক চিন্তাক সাবটি থকাসকলে সমাজত নৈৰাজ্যৰ সৃষ্টিত অৰিহণা যোগায়। এনে ছাত্ৰ-ছাত্ৰী ক্ৰমান্বয়ে বিপথগামী হ'বলৈ আৰম্ভ কৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এনেধৰণৰ ছাত্ৰ-ছাত্ৰীসকল লাহে লাহে ড্ৰাগছৰ দৰে মাদক দ্ৰব্যৰ গ্ৰাসত পৰে, সমাজবিৰোধী কামত লিপ্ত হয় বা অন্যান্য অপৰাধমূলক কামত জড়িত হৈ পৰে, যি এটা সময়ত সমাজৰ বাবে চিন্তাৰ কাৰণ হৈ উঠে। ৰাজ্য চৰকাৰে সেয়ে এনে ঋণাত্মক মানসিকতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে প্ৰথমৰে পৰা চিন্তা-চৰ্চা কৰি অহাৰ লগতে শৈশৱৰে পৰা ছাত্ৰ-ছাত্ৰীৰ মনত নিজৰ চৌপাশ, সমাজ আৰু নিজক লৈ এক সদৰ্থক দৃষ্টিভংগীৰ গঢ় দিয়াৰ বাবে প্ৰয়াস কৰি আহিছে। ইতিবাচক চিন্তাধাৰাৰ অধিকাৰী শিক্ষাৰ্থীৰ মাজত আত্মবিশ্বাস প্ৰবল বুলি মন্তব্য কৰি তেওঁ কয় যে এনে শিক্ষাৰ্থীয়ে এবাৰত আশাব্যঞ্জক ফলাফল নাপালেও হতাশ নহৈ দুগুণ উদ্যমেৰে পৰৱৰ্তীবাৰৰ বাবে নিজকে সাজু কৰি তুলিবলৈ সক্ষম হয়। তেওঁ কয় যে ইতিবাচক চিন্তাধাৰাৰ অধিকাৰীসকলক সমাজেও সমীহ কৰে আৰু সমান্তৰালভাৱে তেওঁলোকেৰ চকুতো সমাজৰ ভাল কথা, ভাল কামবোৰে ধৰা দিয়ে। বিপৰীতে নঞৰ্থক দৃষ্টিভংগীৰ লোকসকলে প্ৰতিটো কথাতে খুঁত দেখা পায়। মানুহৰ মন আৰু কৃত্ৰিম বুদ্ধিমতাৰ মাজত চিন্তাৰ সামঞ্জস্য আছে বুলি মন্তব্য কৰি তেওঁ কয় যে যাৰ যি খুচৰাৰ অভ্যাস আৰু মানসিকতা, সেই অনুসৰিয়েই ব্যক্তিত্বই গঢ় লয়। সময়ৰ দ্ৰুত পৰিৱৰ্তনে অসমকো চুই গৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি অসমত ২৫ খনকৈ চিকিৎসা মহাবিদ্যালয় হৈছে, ১৫ খন কাৰ্যক্ষম হৈ আছে আৰু আন ১০ খন নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত আছে। এসময়ত ৰাজ্যত মেডিকেল শিক্ষা আকাশ কুসুম আছিল বুলি মন্তব্য কৰি তেওঁ কয় যে অতিমাত্ৰা মেধাৱী আৰু অতিশয় আঢ্যৱন্ত পৰিয়ালৰ শিক্ষাৰ্থীয়েহে মাথোঁ এসময়ত মেডিকেল শিক্ষা গ্ৰহণ কৰিব পাৰিছিল, কিয়নো তেতিয়া ৰাজ্যত মাথোঁ তিনিখন মেডিকেল কলেজত আঢ়ৈশ আসনহে আছিল। বিপৰীতে বৰ্তমান ৰাজ্যত মেডিকেল আসনৰ সংখ্যা ২০০০ লৈ বৃদ্ধি পাইছে বুলি জানিবলৈ দি তেওঁ কয় যে ২০৩০ চনৰ ভিতৰত ৰাজ্যত মেডিকেল শিক্ষাৰ আসনৰ সংখ্যা ৫০০০ লৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। এসময়ত ৰাজ্যত বিশ্ববিদ্যালয়ৰ অভাৱৰ বাবে অধিকাংশ শিক্ষাৰ্থীয়ে পুণেৰ দৰে চহৰলৈ অধ্যয়নৰ বাবে যাবলগীয়া হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে আজি অসমত ২ খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপৰি ২৫-২৬ খন ৰাজ্যিক বিশ্ববিদ্যালয় হয় কাৰ্যক্ষম হৈ আছে, নতুবা নিৰ্মাণৰ বিভিন্ন স্তৰত আছে। তেওঁ কয় যে ৰাজ্যত আই আই টি, গুৱাহাটী আৰু এন আই টি, শিলচৰকে ধৰি প্ৰায় ৩০ খন অভিযান্ত্ৰিক কলেজ বা প্ৰতিষ্ঠান আছে, যি এসময়ত কল্পনাৰো অগোচৰ আছিল।

# আইতাক আৰু নাতিনী পমী

**অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

মানুহৰ জীৱন বিচিত্ৰ। মানুহে সুখ -দুখ এই জীৱনত পোৱা নোপোৱা সকলো অনুভৱ কৰিব পাৰে। কিন্তু শিশুৱে সদায় অনুকৰণ কৰে ডাঙৰক। আইতাকে নাতিনীজনীক কোলাত লৈ খেলি আছে, তেনেতে বোৱাৰী ৰিমলী দূৰৰ পৰা চাই আছিল। তাই ভাবিলে নিজৰ তিনি মহীয়া সন্তানটো যেনেকৈ অবোধ এই সময়ত, তাইৰ শাহুমাকো লাহে লাহে বৃদ্ধ অৱস্থাত তেনেকুৱা হ'ব। তেওঁকো তেনেকৈ চম্ভালিব লাগিব, আজি আইতাকে নাতিনীয়েকক যেনেদৰে মৰমেৰে সাৱটি লৈছে। এয়া যে জীৱনৰ আন্তৰিকতাৰ বান্ধোন, উপলব্ধি মনৰ। তাই সদায় শাহুৱেকৰ যত্ন লৈ থাকে এইবোৰ নাতিনীজনীয়েও লক্ষ্য কৰি থাকে।

লাহে লাহে পমী অকণমান ডাঙৰ হ'ল। পাঁচ বছৰত ভৰি দিলে। এতিয়া আইতাকে কোলাত ল'ব নোৱাৰে কিন্তু তাইৰ লগত খেলে। আইতাকে তাইক পৰী-ৰাজকুমাৰ আদিৰ কাহিনী ৰস লগাকৈ সাধু কৈ শুনাই। তাই খুব ভাল পাই। মাক বজাৰলৈ যাওঁতে এদিন পমী আইতাকৰ লগত খেলি থাকোঁতে আইতাক পিছলি পৰিল, লগে লগে তাই আইতাকক ধৰি উঠাই আনিব চেষ্টা কৰিলে। আইতাকেও নাতিনীৰ মৰম দেখি উঠি বহিল। তাৰ পিছত পমীয়ে পানী অলপ আনি আইতাকৰ ভৰি দুখন ধুৱাই দি গামোচাৰে মচি আইতাকৰ ভৰিত মলম লগাই দিলে। আইতাকে তাইৰ কামবোৰ লক্ষ্য কৰি আছিল। তেওঁ নাতিনীয়েকক সাৱটি ধৰি মৰম কৰিব ধৰিলে। কিছুসময় পিছত পমীৰ মাকো আহি পালে তেওঁ সকলো বোৱাৰীয়েকক ক'লে দুয়ো মন ভৰি হাঁহিলে ।

**নীতি-শিক্ষা ঃ** সন্তানৰ চৰিত্ৰ গঠনত অভিভাৱকৰ ভূমিকা গুৰুত্বপূৰ্ণ।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত ৬৭২ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

চিকিৎসাজনিত ব্যয় ঘূৰাই পোৱাৰ সুবিধা পাব। তেনেদৰে, কোনো কৰ্মচাৰীৰ কৰ্মৰত অৱস্থাত দূৰ্ঘটনাত হোৱা দুৰ্ভাগ্যজনক বিয়োগৰ ক্ষেত্ৰত নিকট আত্মীয়ই ১ কোটি টকা পৰ্যন্ত বীমা ধনৰাশি, বিয়োগৰ দিনটোৰ পৰা অৱসৰৰ দিনলৈকে পৰিয়ালক মাহিলী নিয়মীয়া দৰমহা প্ৰদান, ভাৰতীয় ষ্টেট বেংকত দৰমহা একাউণ্ট থাকিলে অতিৰিক্তভাৱে ১০ লাখ টকা প্ৰদান আদি সুবিধাসমূহে পৰিয়ালসমূহক যথেষ্ট সকাহ দিবলৈ সক্ষম হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ৰাজ্য চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলক সামাজিক সুৰক্ষা যথেষ্ট বৃদ্ধি কৰিছে। তেওঁ লগতে কয় যে চৰকাৰে চৰকাৰী কৰ্মচাৰীসকলৰ চিকিৎসাজনিত ব্যয় নগদবিহীন কৰাৰ দিশত ক্ৰমান্বয়ে অগ্ৰসৰ হৈছে। আজিৰ পৰা চাকৰি প্ৰাদেশিকীকৰণ হোৱাৰ ফলত পৌৰ নিগম আৰু পৌৰ সভাৰ কৰ্মচাৰীসকলে 'স্বাগত সতীৰ্থ' প'ৰ্টেলৰ জৰিয়তে পাৰস্পৰিক বদলিৰ সুবিধাও ল'ব পাৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে পৌৰ নিগম, নিকায়সমূহক শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে অসমৰ পৌৰসভাসমূহত কাৰ্যবাহী বিষয়া, ডিব্ৰুগড়, শিলচৰ আৰু গুৱাহাটী পৌৰ নিগমত ভাৰতীয় অসামৰিক সেৱা আৰু অসম অসামৰিক সেৱাৰ বিষয়াক আয়ুক্ত হিচাপে নিযুক্তি, নগৰ অঞ্চল কাৰিকৰী বিষয়া নিযুক্তিকে ধৰি কেইবালানিও পদক্ষেপ লৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে যেতিয়া এখন ৰাজ্য প্ৰগতিৰ দিশেৰে আগবাঢ়ে, তেতিয়া নগৰীকৰণ ইয়াৰ প্ৰথম লক্ষণ হিচাপে ধৰা পৰে। অসম নগৰীকৰণৰ এটা ধাৰা বিগত পাঁচ-ছয় বছৰৰ পৰা আৰম্ভ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ইতিমধ্যে কেইবাখনো নতুন পৌৰ সভাও গঠন কৰা হৈছে। এসময়ত ৰাজ্যত কোনো অঞ্চল পৌৰ সভাৰ অন্তৰ্ভুক্ত কৰিব বিচাৰিলে অঞ্চলবাসীয়ে তেনে পদক্ষেপৰ বিৰোধীতা কৰিছিল যদিও এতিয়া বহু অঞ্চলৰ জনসাধাৰণে তেওঁলোকক পৌৰ সভাত অন্তৰ্ভুক্ত কৰিবলৈ নিজে আবেদন জনায় বুলি মন্তব্য কৰি তেওঁ কয় যে ইতিমধ্যে নগৰীকৰণ হোৱা অঞ্চলসমূহত আন্তঃগাঁথনি তথা আবাসৰ চাহিদা বৃদ্ধি পাব ধৰিছে। নগৰীয়া সা-সুবিধা জনসাধাৰণক প্ৰদান কৰিবলৈ যত্নপৰ হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত আজি চাকৰি প্ৰাদেশিকীকৰণ হোৱা কৰ্মচাৰীসকলক আহ্বান জনায়। তেওঁ লগতে উল্লেখ কৰে যে পৌৰ নিকায়সমূহৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ ৰাষ্ট্ৰীয় হাৰতকৈ বহু কম। কিছু সংখ্যক নাগৰিকে বিভিন্ন সুৰুঙাৰে কৰ আদায় দিয়াৰ পৰা বিৰত থাকে বুলি মন্তব্য কৰি এনে ধৰণৰ আদায় নোহোৱাকৈ থকা কৰ সংগ্ৰহ কৰাত গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে নাগৰিককেন্দ্ৰিক সেৱাসমূহ জনসাধাৰণক উপযুক্তভাৱে প্ৰদানতো গুৰুত্ব আৰোপ কৰে। আজি চাকৰি প্ৰাদেশিকীকৰণ হোৱা কৰ্মচাৰীসকলে কৰ্ম সংস্কৃতিৰ এক ভাল পৰিৱেশ সৃষ্টি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়া, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড° সৈকত পাত্ৰ, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিব জীৱন বি-ৰ উপৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# নগাঁৱৰ মাজপাথৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী

প্ৰাক্তন প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ ভূএগ্ৰাই। সভাত বিদ্যালয়খনৰ আগন্তুক হীৰক জয়ন্তী অনুষ্ঠানটি অনুষ্ঠিত কৰা সম্পৰ্কত বিভিন্নজনে মতামত আগবঢ়ায় আৰু সভাৰ সিদ্ধান্ত অনুসৰি ভৱিষ্যত কাৰ্যপন্থাৰ বাবে এখন ২৮ জনীয়া আহ্বায়ক সমিতি গঠন কৰা হয়। শিক্ষাবিদ তথা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি টংকেশ্বৰ শৰ্মা, গাঁও প্ৰধান ভাৰত চন্দ্ৰ শইকীয়া, অধিবক্তা অজিত কুমাৰ বৰা, সমাজকৰ্মী গোলাপ কলিতা, লেখক ভোলা কলিতা, চন্দ্ৰ শইকীয়া, অনিল শৰ্মা, মিত্ৰকমল বৰাৰ উপৰি বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়াকে ধৰি যথেষ্ট সংখ্যক লোক উক্ত সভাখনত উপস্থিত থাকে। উল্লেখ্য যে অহা ১১ ডিচেম্বৰৰ বিয়লি ১ বজাত এই সম্পৰ্কত বিস্তৃত আলোচনাৰ বাবে আহ্বায়ক মণ্ডলীক লৈ এখন সভা বিদ্যালয়খনৰ প্ৰেক্ষাগৃহতে আয়োজন কৰা হৈছে বুলি জানিব পৰা গৈছে।


# নগাঁও জিলা নদী নাৰীৰ বৰ্ষপূৰ্তি অনুষ্ঠানৰ আয়োজন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ নদী আৰু নাৰী অনুষ্ঠাটিয়ে নগাঁও চহৰৰ মাজমজিয়াৰ আৰ্বত ভৱনৰ সমীপত থকা প্ৰনৱ বৰুৱা পেক্ষাগৃহত অহা ১৪ ডিচেম্বৰত এদিনীয়া কাৰ্যসূচীৰে উলহমালহেৰে বৰ্ষপূৰ্তি অনুষ্ঠান ভাগ আয়োজন কৰিছে। অনুষ্ঠানৰ অংশ হিচাপে পুৱাৰ ভাগত নদী আৰু নাৰী নগাঁও জিলা সমিতিৰ ফালৰ পৰা পতাকা উত্তোলন কৰি তাৎক্ষণিকভাৱে কবিতা লিখা আৰু অনুগল্পৰ প্ৰতিযোগিতাৰ লগতে চকী খেলৰ প্ৰতিযোগিতা, দিনৰ ১২ বজাত মুকলি সভা আৰু নিমন্ত্ৰিত অতিথিসকলক আদৰণি জনোৱা হ'ব। ১২.৩০ বজাত নগাঁৱৰ বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰা কবিতা পাঠৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে অনুষ্ঠানভাগ সাফল্যমণ্ডিত কৰি তুলিবলৈ নদী আৰু নাৰী নগাঁও জিলা সমিতি হৈ সভাপতি তথা মুখ্য সম্পাদক লখিমী মহন্ত আৰু ববী বৰা, সহকাৰী সম্পাদক ৰিজু বৰাই সকলোকে আহ্বান জনাইছে।

# অসম কোঃ অপাৰেটিভ এপেক্স বেংকৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেডৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস শুৱালকুছি শাখাই অতি আড়ম্বৰপূৰ্ণতাৰে উদ্‌যাপন কৰে। এই উপলক্ষত শুৱালকুছি শাখাত বেংকৰ বোৰ্ড অৱ ডিৰেক্টৰ কাৰ্তিক চন্দ্ৰ দাসৰ পৌৰহিত্যত্বত এখন গ্ৰাহক সভা আয়োজন কৰা হয়। শুৱালকুছিৰ জ্যেষ্ঠ নাগৰিক ৰজনীকান্ত দাসে কেক কাটি বিত্তীয় প্ৰতিষ্ঠানটিৰ দীৰ্ঘকালীন সময়ৰ মান্যতা প্ৰদান কৰে। সভাত উপস্থিত থাকি বিশিষ্ট অৰ্থনীতিবিদ তথা শুৱালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাই ১৯৪৮ চনতে প্ৰতিষ্ঠা কৰা এই প্ৰতিষ্ঠানৰ অমৃতকালৰ সময় বুলি মতপোষণ কৰে। যি সময়ত অসমৰ গ্ৰাম্যাঞ্চলৰ লোকৰ মাজত বেংকৰ কোনো ধাৰণা স্পষ্ট নাছিল সেই সময়তে অসমৰ কেইজনমান পুৰুধা ব্যক্তিৰ প্ৰচেষ্টাত অসম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেড প্ৰতিষ্ঠা কৰি কৃষক মজদুৰ নিৰ্মাণ শ্ৰমিক সকলক সঞ্চয়ৰ ওপৰত জ্ঞানৰ বীজ সিচি প্ৰতিষ্ঠানটি ৮ ডিচেম্বৰত গ্ৰাহকৰ মাজত জনপ্ৰিয় হৈ ৭৮ বছৰ পাৰ কৰি অমৃতকালত উপস্থিত হোৱাতো গৌৰৱৰ বিষয় বুলি মন্তব্য কৰে। একেদৰে আন এগৰাকী বিশিষ্ট অতিথি প্ৰাক্তন শিক্ষাবিদ শুৱালকুছিৰ বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিৰাজ কুমাৰ দাসেও গৌৰৱোজ্বল মুহূৰ্তত বেংকৰ পৰা গ্ৰাহক সকলে লাভ কৰা সুবিধা বিশেষকৈ শুৱালকুছিৰ শিপিনী বোৱনী কাটনী ক্ষুদ্ৰ ব্যৱসায়ীসকলে বিগত সময়ত কিদৰে বেংকৰ পৰা লাভান্বিত হৈছিল তাক আলোকপাত কৰে। শাখা পৰিচালক গজেন্দ্ৰ ভৰালীয়ে গ্ৰাহকসকল বেংকৰ উন্নয়নত মাইলৰ খুঁটি বুলি কৈ প্ৰতিষ্ঠানটিৰ সৰ্বদিশত উন্নয়নৰ কামনা কৰে। উক্ত সভাতেই শুৱালকুছিৰ বিশিষ্ট শিপিনী পৰেশ কলিতা, বিনয় পাঠক সমবায় খণ্ডৰ বয়ন সহায়িকা সমবায় সমিতিৰ হৈ সম্পাদক ইন্দ্ৰ ভৰালী, বংশৰৰ সমবায়ৰ সম্পাদক কন্দৰ্প ঠাকুৰীয়া আৰু নিয়মীয়া গ্ৰাহক তথা বিশিষ্ট লেখিকা কুমাৰী কামদা বৈশ্যক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।




Janasanyog RO no 3424/25/12-December-25

# ডাঃ গৌতমচ ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ চতুৰ্থ বৰ্ষপূৰ্তি উদ্‌যাপন


## বৰ্ষীয়ান কালীবাদক কলিৰাম বৰাক 'গীতাধ্যায়ী কামাখ্যা চৰণ ঠাকুৰ সমাজৰত্ন বঁটা' প্ৰদান



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ বেচৰকাৰী খণ্ডৰ অগ্ৰণী চকু চিকিৎসা প্ৰতিষ্ঠান 'ডাঃ গৌতমচ ব্ৰহ্মপুত্ৰ আই কেয়াৰ'ৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে সন্ধিয়া নগাঁও চহৰৰ ইটাচালিস্থিত ষ্টাইল বজাৰ কম্পলেক্সত থকা বেনকুৱেট হলত আয়োজিত এক গম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জিলাখনৰ চামগুৰিৰ নিজ ভেলেউগুৰি কমাৰচুক অঞ্চলৰ প্ৰচাৰবিমুখ বৰ্ষীয়ান কালীবাদক কলিৰাম বৰাক 'গীতাধ্যায়ী কামাখ্যা চৰণ ঠাকুৰ সমাজৰত্ন' বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে শিল্পী কলিৰাম বৰা অসমীয়া সমাজৰ ভাওনা, পূজা, বিবাহ আদিত মাংগলিক বাদ্য হিচাপে পৰিচিত কালীবাদ্যৰ এগৰাকী সুদক্ষ শিল্পী হিচাপে পৰিচিত। সুদীৰ্ঘ বৰ্ষ ধৰি ভাওনা, পূজা, বিবাহকে ধৰি বিভিন্ন মাংগলিক অনুষ্ঠানত কালী বাদ্য পৰিৱেশন কৰি অহা শিল্পী কলিৰাম বৰাই সম্প্ৰতি আশী বছৰত খোজ পেলাইছে যদিও এই বাদ্যবিধ পৰিৱেশন কৰি আহিছে। শিল্পী গৰাকীক চলিত বৰ্ষত অসম চৰকাৰে শিল্পী পেঞ্চন প্ৰদান কৰে। 'গীতাধ্যায়ী কামাখ্যা চৰণ ঠাকুৰ সমাজৰত্ন বঁটা'ৰ বাবদ শিল্পী গৰাকীক গামোছা, শৰাই, চেলেং, কাঁহৰ জাপি, স্মাৰক, মানপত্ৰ, ফলমূলৰ টোপোলা আদিৰে ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ তৰফৰ পৰা সন্মানিত কৰা হয়। 'ডাঃ গৌতমচ ব্ৰহ্মপুত্ৰ আই কেয়াৰ'ৰ স্বত্বাধিকাৰী ডাঃ পি কে গৌতমে আঁতধৰা অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই কলিৰাম বৰাৰ দৰে এগৰাকী প্ৰচাৰ বিমুখ বৰ্ষীয়ান গুণী শিল্পীক 'গীত্যাধায়ী কামাখ্যা চৰণ ঠাকুৰ সমাজ ৰত্নবঁটা' প্ৰদান কৰাৰ বাবে ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ স্বত্বাধিকাৰী ডাঃ পিকে গৌতমৰ শলাগ লয়। বিধায়ক শৰ্মাই নগাঁও চহৰৰ আন্তঃগাঁথনিৰ লগতে ক্ৰীড়া, চিকিৎসা আদি ক্ষেত্ৰত আগবঢ়াই নিবৰ বাবে গ্ৰহণ কৰা বহু কেইটা পদক্ষেপৰ বিষয়ে ব্যক্ত কৰে। আনহাতে চকু চিকিৎসক ডাঃ পি কে গৌতমৰ ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ উন্নত প্ৰযুক্তিৰ সংযোজনে মধ্য অসমৰ ৰোগীৰ চকু চিকিৎসাৰ ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰিব বুলি বিধায়ক শৰ্মাই আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে ভাৰতৰত্ন অসম গৌৰৱ মহান শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি শিল্পী নিপু ভূঞাই সুধাকণ্ঠৰ এটি গীত পৰিৱেশন কৰে। আনহাতে অসমবাসীৰ হিয়াৰ আপোন শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দুগৰাকী শিল্পীয়ে অনুষ্ঠানত শিল্পীগৰাকীৰ গীতত নৃত্য পৰিৱেশন কৰে। ইপিনে বিদেশত উন্নত চকু চিকিৎসা ব্যৱস্থাৰ অনুকৰণেৰে ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ চিকিৎসা সেৱাত উন্নত প্ৰযুক্তিৰ সংযোজনৰ আধাৰত ডাঃ পি কে গৌতমে নিৰ্মাণ কৰা এখন তথ্যচিত্ৰ অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। অত্যাধুনিক প্ৰযুক্তিৰে মধ্য অসমৰ ৰোগীক চকুৰ চিকিৎসা প্ৰদানত সহযোগিতা আগবঢ়োৱাৰ বাবে নগাঁওবাসীক চিকিৎসা প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী ডাঃ পি কে গৌতমে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত 'ডাঃ গৌতমচ ব্ৰহ্মপুত্ৰ আই কেয়াৰ' ৰ কৰ্মচাৰীসকলক প্ৰতিষ্ঠা দিৱস উপলক্ষে উপহাৰ প্ৰদানৰ লগতে প্ৰতিষ্ঠানটোৰ দুগৰাকী কৰ্মচাৰীক 'বৰ্ষশ্ৰেষ্ঠ কৰ্মচাৰী বঁটা' প্ৰদান কৰা হয়। অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি নাথ, নগাঁও পৌৰসভাৰ উপ পৌৰপতি সীমান্ত বৰা, নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জিতেন বৰকটকী, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, বিশিষ্ট নাট্যকাৰ সপোনটি বৰদলৈ, লায়ন্স ক্লাবৰ বিষয়ববীয়া ললিত কোঠাৰী, নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপিকা ডাঃ লাহৰি শইকীয়া, প্ৰয়াত গীতাধ্যায়ী কামাখ্যা চৰণ ঠাকুৰৰ পত্নী শৈল্য বৰঠাকুৰ, সাংবাদিক বীৰেন বৰা, শিল্পী যতীন্দ্ৰ কুমাৰ দাস, ডাঃ ভাস্বতী শৰ্মা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অইলত জুনিয়ৰ টেনিছ প্ৰতিযোগিতা শুভাৰম্ভ

**প্ৰাঞ্জল গগৈ, দুলীয়াজানঃ** বহু প্ৰত্যক্ষিত অইল ইণ্ডিয়া লিমিটেডৰ অল অসম জুনিয়ৰ টেনিছ চেম্পিয়নশিপ ২০২৫-২৬ ৰ যোৱা ছ ডিচেম্বৰ পৰা জালনী ক্লাব টেনিছ কোৰ্টত উদ্বোধনী অনুষ্ঠানৰ মাজেৰে শুভাৰম্ভ হ'ল। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অইল মুখ্য আৱাসিক বিষয়া শ্ৰীমলয় কুমাৰ দাস, লগতে অইলৰ উচ্চপদস্থ বিষয়া আৰু অল অসম টেনিছ এচোছিয়েশ্যনৰ লগতে বহু গণ্যমান্য অতিথিৰ উপস্থিতিৰে অনুষ্ঠানখন উৎসৱমুখৰ হৈ পৰে। অনুষ্ঠানত শ্ৰীৰামানুজ দত্তই সোঁৱৰণী স্বাগতম ভাষণ প্ৰদান কৰে আৰু শ্ৰীৰঞ্জিত গগৈয়ে কৃতজ্ঞতা জ্ঞাপন কৰি উদ্বোধনী কাৰ্যসূচীসমূহ সম্পূৰ্ণ কৰে। এই বছৰৰ টুৰ্ণামেণ্টত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰতিভাশালী কিশোৰ-কিশোৰীৰ অংশগ্ৰহণে বিশেষ উৎসাহ যোগাইছে। অনুৰ্দ্ধ-১২ বছৰ, অনুৰ্দ্ধ-১৪ বছৰ আৰু অনুৰ্দ্ধ-১৮ বছৰ শ্ৰেণীৰ প্ৰতিযোগিতাত খেলুৱৈসকল 'আকৰ্ষণীয় পুৰস্কাৰ ধনৰাশি' আৰু চেম্পিয়ন খিতাপ দখল কৰিবলৈ প্ৰতিযোগিতামূলক ভাৰত নামিব। যোৱা ৬ ডিচেম্বৰ পৰা ১০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানটি উদীয়মান ক্ৰীড়া প্ৰতিভাসকলৰ বিকাশৰ ক্ষেত্ৰ হৈ উঠিছে। ক্ৰীড়াৰ প্ৰতি অইল ইণ্ডিয়া লিমিটেডৰ অবিৰত সহায়-সমৰ্থনই ভাৰতীয় ক্ৰীড়া জগতলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে।






# ৰাজ্যিক কৃতী শিক্ষক ভগৱান বৈশ্যৰ বিদায় সম্বৰ্ধনা সভাত ৮খনকৈ শৈক্ষিক গ্ৰন্থ উন্মোচন

**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ অঞ্চলৰ শিক্ষানুষ্ঠান 'বংশৰ ভৃংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়'ৰ অৱসৰী প্ৰধান শিক্ষক তথা ৰাজ্যিক কৃতী বঁটা প্ৰাপক ভগৱান বৈশ্যৰ ৪০ বছৰীয়া চাকৰি জীৱনৰ আনুষ্ঠানিক বিদায় সভা আৰু গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন কৰা হৈছে। অহা ১৩ ডিচেম্বৰত বংশৰ ভৃংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা ভৃংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল চন্দ্ৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া বিদায় সভাৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপক ভগৱান বৈশ্যৰ ৮ খনকৈ শৈক্ষিক গ্ৰন্থ উন্মোচন কৰিব। ৰাজ্যিক কৃতী শিক্ষক তথা অৱসৰী প্ৰধান শিক্ষক ভগৱান বৈশ্যই জনোৱা মতে সেই দিনা পুৱা ৯.৩০ বজাত বিদায় সম্বৰ্ধনা সভাত আদৰণি ভাষণ প্ৰদান কৰিব ভৃংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ তত্বাৱধায়ক লোকনাথ বৈশ্যই, পুৱা ১১.৩০ বজাত শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থ উন্মোচনী সভাত সমৱেত সংগীত পৰিৱেশনৰ লগতে আদৰণি ভাষণ প্ৰদান কৰিব শৈক্ষিক গ্ৰন্থৰ লেখক তথা ৰাজ্যিক কৃতী শিক্ষক ভগৱান বৈশ্যই, দুপৰীয়া ১২.১৫ বজাত গ্ৰন্থ উন্মোচনী সভাত ৮ খন শৈক্ষিক গ্ৰন্থ উন্মোচন কৰিব অসম চৰকাৰৰ অৱসৰী আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰ, কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতা, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, অসম চৰকাৰৰ বৰপেটা জিলাৰ এ ডি চি ওৱাদিউল ইছলাম, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° জ্যোতিৰ্মিয় বৰা, কটন বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° কমলকৃষ্ণ ৰাজবংশী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ড° জিতুমণি ৰাজবংশী, ১৪৭৭ নং ছটলা গৰিয়া জাগৰণ প্ৰাথমিক বিদ্যালয়, বৰপেটাৰ প্ৰধান শিক্ষক নিত্যানন্দ নাথে। দুপৰীয়া ১২.১৫ বজাত গ্ৰন্থ উন্মোচনৰ পিছতে গ্ৰন্থ উন্মোচকবৃন্দৰ ভাষণ আৰু গ্ৰন্থকাৰৰ মনৰ কথা ব্যক্ত কৰিব বুলি ভগৱান বৈশ্যই জনাইছে।


*স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিন্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।*
*Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 & Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora*
*Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,*

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া

সম্পাদক ঃ প্ৰণতি বৰা